**(২০০৯) ৬ উচ্চতম ন্যায়ালয় গোচৰ নং ১২১**

(ন্যায়াধীশ আৰ. ভি. ৰবীন্দ্রন আৰু ন্যায়াধীশ এল. এছ. পাণ্টাৰ সন্মুখত)

সৰলা ভাৰ্মা (শ্ৰীমতি) আৰু অন্যান্য .. আপীলকাৰী;

*বনাম*

দিল্লী পৰিবহন নিগম আৰু অন্য এজন .. প্ৰতিপক্ষ।

২০০৮-ৰ দেৱানী আপীল নং ৩৪৮৩*, ৰায়দান ১৫ এপ্ৰিল ২০০৯-ত।

ক. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — প্ৰাণঘাতক দুৰ্ঘটনা — ক্ষতিপূৰণৰ মূল্যাংকনৰ বস্তুনিষ্ঠ পদ্ধতি — "ন্যায্য ক্ষতিপূৰণ" — কি, আৰু সেইয়া নিৰ্ধাৰণৰ বাবে মৌলিক প্ৰয়োজনীয়তাসমূহ — ন্যায়াধিকৰণ/আদালতৰ সিদ্ধান্তসমূহৰ মাজত ক্ষতিপূৰণ নিৰ্ধাৰণৰ ক্ষেত্ৰত *সামঞ্জস্যতা* আৰু *ধাৰাবাহিকতা* বজাই ৰখাৰ প্ৰয়োজনীয়তা — উক্ত *সামঞ্জস্যতা* আৰু *ধাৰাবাহিকতা* নিৰ্ধাৰণ কৰিবলৈ অনুসৰণ কৰিবলগীয়া কাৰ্যপদ্ধতি/পদক্ষেপৰ ক্ষেত্ৰত ন্যায়াধিকৰণ/আদালতক দিয়া নিৰ্দেশনা**

— ৰায় দিয়া হৈছিল যে, ক্ষতিপূৰণৰ মূল্যায়নৰ ক্ষেত্ৰত যদিও কিছুমান উপকাল্পনিক বিবেচনা জড়িত হৈ থাকে, তথাপিও সেইয়া বস্তুনিষ্ঠ হ'ব লাগে — ন্যায় আৰু ন্যায্যতাৰ উৎপত্তি হয় ব্যৱহাৰৰ সমতা, বিচাৰৰ ক্ষেত্ৰত ধাৰাবাহিকতা আৰু পুংখানুপুংখতা, আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ ক্ষেত্ৰত ন্যায়পৰায়ণতা আৰু সামঞ্জস্যতাৰ পৰা — সেয়েহে, ন্যায়াধিকৰণৰ সিদ্ধান্তসমূহৰ মাজত সামঞ্জস্যতা আৰু ধাৰাবাহিকতাৰ অভাৱৰ বাবে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰি, ৰায় দিয়া হৈছিল, যেতিয়া উপাদান/ইনপুটৰ লগতে বিধি/আইনী নীতিসমূহ একে হয়, ন্যায্য ক্ষতিপূৰণত নিৰ্ধাৰণ কৰিবলৈ ধাৰাবাহিকতা আৰু সামঞ্জস্যতাহে বিচাৰৰ পৰিণাম হ'ব লাগে, ভিন্নমুখিতা বা খামখেয়ালী নহয় — মৃত্যুৰ ক্ষেত্ৰত ক্ষতিপূৰণ নিৰ্ধাৰণৰ ক্ষেত্ৰত সামঞ্জস্যতা আৰু ধাৰাবাহিকতাৰ ভিত্তিত লোৱা সিদ্ধান্তত উপনীত হ'বলৈ ন্যায়াধিকৰণসমূহে ইয়াত উল্লেখ কৰা ধৰণে সুনিৰ্ধাৰিত পদক্ষেপসমূহ অনুসৰণ কৰিবলৈ নিৰ্দেশ দিয়ে — ট'ৰ্ট আইন — বাধিত আইন — ক্ষতিপূৰণ/খেচাৰত — বিধি শাস্ত্ৰ — ধাৰণাকৃত বিধি শাস্ত্ৰ — "ন্যায়" আৰু "ন্যায্যতা" — ৰ উৎপত্তি — প্ৰাণঘাতক দুৰ্ঘটনা আইন, **১৮৫৫**, ধাৰা ১-এ

খ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — প্ৰাণঘাতক দুৰ্ঘটনা — ক্ষতিপূৰণৰ মূল্যাংকন — তাৰ সম্পৰ্কত দাবীদাৰৰ দ্বাৰা প্ৰমাণ কৰিবলগীয়া তথ্য — নিৰ্ভৰশীলতাৰ ক্ষতিত উপনীত হ'বলৈ**

**ন্যায়াধিকৰণে নিৰ্ধাৰণ কৰিবলগীয়া বিষয়সমূহ — পুনৰ উল্লেখ — সাক্ষ্য আইন, ১৮৭২ — ধাৰা ১০১-ৰ পৰা ১০৩ লৈ — প্ৰাণঘাতক দুৰ্ঘটনা আইন, ১৮৫৫, ধাৰা ১-এ**

গ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — প্ৰাণঘাতক দুৰ্ঘটনা — শীৰ্ষসমূহ/শিতানসমূহ (আৰু তেনে শীৰ্ষৰ অধীনত মূল্য) যাৰ অধীনত ক্ষতিপূৰণ প্ৰদান কৰিব পাৰি — ৰায় দিয়া হৈছিল যে নিৰ্ভৰশীলতাৰ ক্ষতি গণনা কৰিবলৈ প্ৰয়োজনীয় বিশদ গণনাৰ বাহিৰেও, (i) ভূ-সম্পত্তিৰ ক্ষতি, (ii) সাহচৰ্যৰ ক্ষতি, আৰু (iii) অন্ত্যেষ্টিক্ৰিয়াৰ খৰচ, মৃতদেহৰ পৰিবহনৰ খৰচ (যদি আছে) আৰু মৃত্যুৰ আগতে মৃতকৰ কোনো চিকিৎসাৰ খৰচ (যদি আছে), এই শিতানসমূহৰ অধীনত কিছু পৰিমানৰ ধন প্ৰদান কৰিব পাৰি — তথাপিও, আগলৈ ৰায় দিয়া হৈছিল যে মৃতকৰ আইনী উত্তৰাধিকাৰীসকলৰ হোৱা যন্ত্ৰণা, দুখ বা কষ্টৰ শিতানৰ অধীনত কোনো ধনৰাশি প্ৰদান কৰিব নালাগে — প্ৰাণঘাতক দুৰ্ঘটনা আইন, ১৮৫৫ — ধাৰা ১-এ — ট'ৰ্ট আইন**

ৰায় দিয়া হৈছিল:

ক্ষতিপূৰণৰ মূল্যাংকনত যদিও কিছুমান উপকাল্পনিক বিবেচনা জড়িত হৈ থাকে, তথাপিও ই বস্তুনিষ্ঠ হ'ব লাগে। তদুপৰি, ন্যায়াধিকৰণে ন্যায্য বুলি বিবেচনা কৰিলেই ই প্ৰদান কৰা ক্ষতিপূৰণ "ন্যায্য ক্ষতিপূৰণ" হৈ নাযায়। গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা "ন্যায্য ক্ষতিপূৰণ" হৈছে ক্ষতিপূৰণ প্ৰদানৰ সৈতে জড়িত সুনিৰ্ধাৰিত নীতিসমূহ প্ৰয়োগ কৰি অন্যায়ৰ ফলত হোৱা লোকচান পূৰণ কৰিবলৈ, যিমানদূৰলৈকে ধনে/টকা-পইচাই কৰিব পাৰে, পৰ্যাপ্ত ক্ষতিপূৰণ যিটো ন্যায্য আৰু ন্যায়সংগত। শ্ৰীবৃদ্ধি, উদাৰতাৰে বৃহৎ পৰিমাণৰ ধন প্ৰদান কৰা বা লাভৰ উৎস সৃষ্টি কৰাটো ইয়াৰ উদ্দেশ্য নহয়।

(দফা ১৬ আৰু ১৭)

ন্যায় আৰু ন্যায্যতাৰ উৎপত্তি হয় ব্যৱহাৰৰ সমতা, বিচাৰৰ ক্ষেত্ৰত ধাৰাবাহিকতা আৰু পুংখানুপুংখতা, আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ ক্ষেত্ৰত ন্যায়পৰায়ণতা আৰু সামঞ্জস্যতাৰ পৰা। যদিও ক্ষতিপূৰণৰ মূল্যাংকনত গাণিতিক নিখুঁততা নাথাকিব পাৰে বা একেধৰণৰ ৰায় প্ৰদান কৰা সম্ভৱ নহয়, গোচৰসমূহৰ মাজত যদি একে বা একেধৰণৰ তথ্য উপলব্ধ, তেন্তে তেনে গোচৰসমূহত প্ৰদান কৰা ৰায়সমূহত ধাৰাবাহিকতা প্ৰতিফলিত হোৱাটো প্ৰয়োজনীয়। যেতিয়া উপাদান/ইনপুট একে হয় আৰু বিধি/আইনী নীতিসমূহ একে হয়, তেন্তে ন্যায্য ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলৈ বিচাৰ প্ৰক্ৰিয়াত ধাৰাবাহিকতা আৰু সামঞ্জস্যতাৰহে প্ৰয়োজন, ভিন্নমুখিতা বা খামখেয়ালী নহয়। গতিকে একেধৰণৰ তথ্যৰ ওপৰত বিভিন্ন ন্যায়াধিকৰণে যদি ক্ষতিপূৰণৰ হিচাপ বেলেগ বেলেগ কৰে তেন্তে দাবীদাৰ, গোচৰৰ দুয়োটা পক্ষ, সাধাৰণ মানুহ বিভ্ৰান্ত হ'ব, বিচুৰ্তি খাব আৰু বিমোৰত পৰিব। যদিহে একেধৰণৰ তথ্যৰ ওপৰত ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণ কৰাত ন্যায়াধিকৰণসমূহৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়, তেন্তে ইয়াৰ ফলত ব্যৱস্থাটোৰ প্ৰতি অসন্তুষ্টি আৰু অনাস্থাৰ সৃষ্টি হ'ব।

(দফা ১৪ আৰু ১৭)

*কেৰেলা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ। (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্ৰি.) ৩৩৫; ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্ৰিলোক চন্দ্ৰ, (১৯৯৬) ৪ এছ.চি.চি. ৩৬২-ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।*

মৃত্যুৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ মূল্যায়নৰ বাবে দাবীদাৰসকলে মূলতঃ মাত্ৰ তিনিটা তথ্যহে প্ৰমাণ কৰিব লাগিব অৰ্থাৎ (ক) মৃতকৰ বয়স; (খ) মৃতকৰ আয়; আৰু (গ) নিৰ্ভৰশীল লোকৰ সংখ্যা। তদুপৰি, নিৰ্ভৰশীলতা হেৰুওৱাৰ ক্ষেত্ৰত সিদ্ধান্তত উপনীত হ'বলৈ ন্যায়াধিকৰণে নিৰ্ধাৰণ কৰিবলগীয়া বিষয়সমূহ হ'ল- (i) মৃতকৰ আয় নিৰ্ধাৰণৰ বাবে কৰিবলগীয়া সংযোজন/কৰ্তন; (ii) মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ ক্ষেত্ৰত কৰ্তন; আৰু (iii) মৃতকৰ বয়সৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগীয়া গুণক। যদি এই নিৰূপকবোৰৰ মানদণ্ড নিৰ্ধাৰণ (Standardize) কৰা হয়, তেন্তে সিদ্ধান্তত সামঞ্জস্যতা আৰু ধাৰাবাহিকতা থাকিব। বিশদ সাক্ষ্যৰ প্ৰয়োজনীয়তা কমিব। বীমা কোম্পানীৰ বাবেও পলম নোহোৱাকৈ দুৰ্ঘটনাৰ দাবী নিষ্পত্তি কৰিবলৈ সহজ হ'ব। (দফা ১৮)

এইদৰে, উক্ত সামঞ্জস্যতা আৰু ধাৰাবাহিকতা পাবলৈ ন্যায়াধিকৰণসমূহক মৃত্যুৰ ঘটনাৰ সৈতে জড়িত গোচৰৰ ক্ষেত্ৰত তলত দিয়া সুনিৰ্ধাৰিত পদক্ষেপসমূহৰ দ্বাৰা ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলৈ নিৰ্দেশ দিয়া হয়:

*পদক্ষেপ ১ (গুণ্য নিশ্চিতকৰণ)*

মৃতকৰ বাৰ্ষিক আয় নিৰ্ধাৰণ কৰিব লাগিব। উক্ত আয়ৰ পৰা মৃত ব্যক্তিয়ে ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ জৰিয়তে নিজৰ বাবে কিমান ধন খৰচ কৰিলেহেঁতেন তাৰ সন্দৰ্ভত এক কৰ্তন কৰিব লাগিব। বাকী ৰোৱাখিনিয়ে গুণ্য গঠন কৰে, যাক নিৰ্ভৰশীল পৰিয়াললৈ অনুদান বুলি গণ্য কৰা হয়।

*পদক্ষেপ ২ (গুণক নিশ্চিতকৰণ)*

মৃতকৰ বয়স আৰু সক্ৰিয় কৰ্মজীৱনৰ সময়সীমাৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত গুণক বাছনি কৰিব লাগে। ই দুৰ্ঘটনা নহ'লে তেওঁ কিমান বছৰ জীয়াই থাকিলহেঁতেন বা কাম কৰিলেহেঁতেন সেইটো নিশ্চিতকৰণ কৰাটো নুবুজায়। জীৱন আৰু অৰ্থনৈতিক কাৰকৰ কেইবাটাও অনিৰ্ণেয় বস্তুৰ প্ৰতি লক্ষ্য ৰাখি উচ্চতম ন্যায়ালয়ে বয়সৰ সন্দৰ্ভত গুণকৰ এখন তালিকা চিনাক্ত কৰিছে। মৃতকৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি উক্ত তালিকাৰ পৰা গুণক বাছি ল'ব লাগে।

*পদক্ষেপ ৩ (প্ৰকৃত গণনা)*

পৰিয়ালটোলৈ বাৰ্ষিক অনুদান (গুণ্য)-ক যেতিয়া তেনে গুণকৰ দ্বাৰা পূৰণ কৰা হয়, ই পৰিয়ালটোৰ "নিৰ্ভৰশীলতাৰ ক্ষতি" নিৰ্ণয় কৰে।

ইয়াৰ পিছত ৫০০০ টকাৰ পৰা ১০০০০ টকাৰ ভিতৰত গতানুগতিক ধনৰাশি ভূ-সম্পত্তিৰ ক্ষতি হিচাপে যোগ কৰিব পাৰি। মৃতকৰ বিধৱা পত্নী থাকিলে তেনে ক্ষেত্ৰত ৫০০০ টকাৰ পৰা ১০০০০ টকাৰ ভিতৰত আন এটা গতানুগতিক ধন সাহচৰ্যৰ ক্ষতি শিতানত যোগ কৰিব লাগে। কিন্তু মৃতকৰ আইনী উত্তৰাধিকাৰীসকলৰ হোৱা যন্ত্ৰণা, দুখ বা কষ্টৰ শিতানৰ অধীনত কোনো ধনৰাশি প্ৰদান কৰিব নালাগে।

অন্ত্যেষ্টিক্ৰিয়াৰ খৰচ, মৃতদেহৰ পৰিবহনৰ খৰচ (যদি আছে) আৰু মৃত্যুৰ আগতে মৃতকৰ কোনো চিকিৎসাৰ খৰচ (যদি আছে) তাকো সংযোগ কৰিব লাগে। (দফা ১৯)

*ডেভিছ বনাম পাৰেল ডাফ্রিন এছ'চিয়েটেড কলিয়ৰীজ লিমিটেড, ১৯৪২ এ.চি. ৬০১ : (১৯৪২) ১ অল ই.আৰ. ৬৫৭ (এইচ.এল.); কেৰালা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ, (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্রি.) ৩৩৫; ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্রিলোক চন্দ্র, (১৯৯৬) ৪ এছ.চি.চি. ৩৬২-ৰ ওপৰত নির্ভৰ কৰা হৈছে*

*নেন্স বনাম ব্রিটিছ কলম্বিয়া ইলেক্ট্রিক ৰেলৱে কোম্পানী লিমিটেড, ১৯৫১ এ.চি. ৬০১ : (১৯৫১) ২ অল ই.আৰ. ৪৪৮ (পি.চি.)-ৰ ৰায়, প্রত্যাখ্যান কৰা হৈছিল।*

**ঘ. মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — প্রাসংগিক গুণকৰ বাছনি — উপযুক্ত তালিকা — ন্যায়াধিকৰণ/আদালতৰ সিদ্ধান্তৰ মাজত অধাৰাবাহিকতা — বাদ দিয়াৰ প্রয়োজনীয়তা — যিহেতু কিছুমান ন্যায়াধিকৰণ/আদালতে মটৰ গাড়ী আইন, অনুসূচী II-ত প্রদান কৰা/প্রকৃততে গ্রহণ কৰা গুণক অনুসৰণ কৰি আছে আৰু কিছুমানে উচ্চতম ন্যায়ালয়ৰ বিভিন্ন সিদ্ধান্তত সূচোৱা বিভিন্ন গুণক অনুসৰণ কৰি আছে, ৰায় দিয়া হৈছিল, তেনে ধৰণৰ অধাৰাবাহিকতা বাদ দিব লাগিব — ধাৰা ১৬৬-ৰ অধীনৰ গোচৰসমূহ *ডেভিছ পদ্ধতিৰে* নিৰূপণ কৰা হয়, অৰ্থাৎ, *ডেভিছ গোচৰ,* ১৯৪২ এ.চি. ৬০১-ত উল্লেখ কৰা পদ্ধতিৰে — এনে ক্ষেত্রত ব্যৱহাৰ কৰিবলগীয়া গুণক ইয়াত (দফা ৪০-ত) দিয়া তালিকাৰ স্তম্ভ (৪)-ত উল্লেখ কৰা ধৰণে, যিটো *চুছাম্মা থমাছ গোচৰ,* (১৯৯৪) ২ এছ.চি.চি. ১৭৬ (যিটোৱে *ডেভিছ পদ্ধতি* অগ্ৰাধিকাৰ দিছিল), *ত্রিলোক চন্দ্রৰ গোচৰ,* (১৯৯৬) ৪ এছ.চি.চি. ৩৬২ আৰু *চাৰ্লি গোচৰ,* (২০০৫) ১০ এছ.চি.চি. ৭২০ প্রয়োগ কৰি প্রস্তুত কৰা হ'ব লাগে — এইদৰে ১৫-ৰ পৰা ২০ আৰু ২১-ৰ পৰা ২৫ বছৰ বয়সৰ গোটৰ বাবে কাৰ্যকৰী গুণক ১৮; আৰু ২৬-ৰ পৰা ৩০, ৩১-ৰ পৰা ৩৫, ৩৬-ৰ পৰা ৪০, ৪১-ৰ পৰা ৪৫ আৰু ৪৬-ৰ পৰা ৫০ বছৰ বয়সৰ বাবে ক্রমে ১৭, ১৬, ১৫, ১৪ আৰু ১৩; আৰু ৫১-ৰ পৰা ৫৫, ৫৬-ৰ পৰা ৬০, ৬১-ৰ পৰা ৬৫ আৰু ৬৬-ৰ পৰা ৭০ বছৰ বয়সৰ গোটৰ বাবে ক্রমে ১১, ৯, ৭, আৰু ৫**

**(দফা ৪০-ৰ পৰা ৪২ আৰু ৪৯)**

*ডেভিছ বনাম পাৰেল ডাফ্রিন এছ'চিয়েটেড কলিয়ৰীজ লিমিটেড, ১৯৪২ এ.চি. ৬০১ : (১৯৪২) ১ অল ই.আৰ. ৬৫৭ (এইচ.এল.); কেৰালা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ, (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্রি.) ৩৩৫; ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্রিলোক চন্দ্র, (১৯৯৬) ৪ এছ.চি.চি. ৩৬২; নিউ ইণ্ডিয়া এছ্যুৰেন্স কোম্পানী লিমিটেড বনাম চাৰ্লি, (২০০৫) ১০ এছ.চি.চি. ৭২০ : ২০০৫ এছ.চি.চি. (ক্রি) ১৬৫৭-ৰ ওপৰত নির্ভৰ কৰা হৈছে*

*টি.এন. ৰাজ্যিক পৰিবহণ নিগম লিমিটেড বনাম এছ. ৰাজাপ্রিয়া, (২০০৫) ৬ এছ.চি.চি. ২৩৬ : ২০০৫ এছ.চি.চি. (ক্রি) ১৪৩৬; ওপৰত. এছ.আৰ.টি.চি. বনাম কৃষ্ণ বালা, (২০০৬) ৬ এছ.চি.চি. ২৪৯ : (২০০৬) ৩ এছ.চি.চি. (ক্রি) ৯০, উল্লেখ কৰা হৈছে*

**ঙ. মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — দুৰ্ঘটনাত মৃত্যু — ক্ষতিপূৰণ — মৃতকৰ আয় নিৰূপণ — মৃতকৰ মৃত্যুৰ সময়ত থকা প্রকৃত আয়ত ভৱিষ্যতৰ সম্ভাৱনাৰ প্রতি লক্ষ্য ৰাখি সংযোজন কৰাৰ ক্ষমতা — গোচৰ চলি থকা অৱস্থাত হোৱা দৰমহাৰ নিৰিখ সংশোধন আৰু তাৰ পৰা উদ্ভৱ হোৱা আপীল, বিবেচনা কৰিব পাৰি নেকি — বিশদ নীতি, আৰু প্রতিষ্ঠিত নীতি (Rule of Thumb) নির্ধাৰণ কৰা — ট'ৰ্ট আইন — প্রাণঘাতক দুৰ্ঘটনা আইন, ১৮৫৫ — ধাৰা ১-এ — সুযোগৰ ক্ষতি**

ৰায় দিয়া হৈছিল:

সাধাৰণতে, আয়কৰ বাদ দিয়াৰ পিছত মৃতকৰ প্রকৃত আয় ক্ষতিপূৰণ গণনাৰ প্রাৰম্ভিক পৰ্য্যায় হ'ব লাগে। কিন্তু সাক্ষ্যৰ দ্বাৰা প্রতিফলিত হোৱা ভৱিষ্যতৰ সম্ভাৱনাৰ প্রতি লক্ষ্য ৰাখি, *চুছাম্মা থমাছ* গোচৰত, (১৯৯৪) ২ এছ.চি.চি. ১৭৬, আদালতে আয় প্রায় ১০০% বৃদ্ধি কৰিলে, সৰলা দীক্ষিত গোচৰত, (১৯৯৬) ৩

এছ.চি.চি. ১৭৯, আয় মাত্ৰ ৫০% বৃদ্ধি কৰা হ'ল আৰু আবাতি বেজবৰুৱাৰ গোচৰত, (২০০৩) ২ এছ.চি.চি. ১৪৮, আয় মাত্ৰ ৭% বৃদ্ধি কৰা হৈছিল। (দফা ২০-ৰ পৰা ২৪ লৈ)

যি ক্ষেত্ৰত মৃতকজন ৪০ বছৰৰ অনুৰ্ধ্বৰ স্থায়ী চাকৰিয়াল আছিল, তেনে ক্ষেত্ৰত অনিৰ্ণেয় আৰু অনিশ্চয়তাৰ পৰিপ্ৰেক্ষিতত, আৰু মৃতকৰ ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ প্ৰকৃত দৰমহাৰ সৈতে প্ৰকৃত দৰমহাৰ ৫০% যোগ কৰাটো প্ৰতিষ্ঠিত নীতি হিচাপে গ্ৰহণ কৰাটো অনুকূল। (যদি বাৰ্ষিক আয়ৰ পৰিমাণ কৰযোগ্য পৰিসৰৰ অন্তৰ্গত, "প্ৰকৃত দৰমহা" বাক্যাংশৰ অৰ্থ "কৰ কৰ্তন কৰাৰ পিছত প্ৰকৃত দৰমহা" হিচাপে গণ্য কৰিব লাগে)। মৃতকৰ বয়স ৪০-ৰ পৰা ৫০ বছৰ হ'লে সংযোজন মাত্ৰ ৩০% হ'ব লাগে। মৃতকৰ বয়স ৫০ বছৰৰ অধিক হ'লে কোনো সংযোজন কৰিব নালাগে। যদিও বৃদ্ধিৰ শতাংশ বেলেগ হোৱাৰ ভিন্ন প্ৰমাণ/মতামত আছে, তথাপিও বিভিন্ন মান প্ৰয়োগ কৰা বা গণনাৰ বিভিন্ন পদ্ধতি গ্ৰহণ কৰাটো এৰি চলিবলৈ সংযোজনৰ মানদণ্ড নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয়। যদি মৃতকজন স্বনিয়োজিত আছিল বা নিৰ্দিষ্ট/স্থায়ী দৰমহাত কৰ্মৰত আছিল (বাৰ্ষিক দৰমহা বৃদ্ধি আদিৰ ব্যৱস্থা নোহোৱাকৈ), সাধাৰণতে আদালতে কেৱল মৃত্যুৰ সময়ৰ প্ৰকৃত আয়হে গ্ৰহণ কৰিব। বিশেষ পৰিস্থিতিৰ সৈতে জড়িত বিৰল আৰু ব্যতিক্ৰমী গোচৰতহে ইয়াৰ পৰা ফালৰি কাটিব লাগে। (দফা ২৪)

*কেৰেলা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ। (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্ৰি.) ৩৩৫; সৰলা দীক্ষিত বনাম বলৱন্ত যাদৱ, (১৯৯৬) ৩ এছ.চি.চি. ১৭৯; আবাতি বেজবৰুৱা বনাম ভাৰতীয় ভূতাত্ত্বিক জৰীপ, (২০০৩) ২ এছ.চি.চি. ১৪৮: ২০০৩ এছ.চি.চি. (ক্ৰি.) ৭৪৬, বিবেচনা কৰা হৈছে*

বৰ্তমানৰ গোচৰটোত মৃতকৰ মাহিলী আয়ৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্ত এই আইনী নীতিৰ সৈতে সামঞ্জস্যপূৰ্ণ যে ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকৃত দৰমহাত প্ৰায় ৫০% যোগ কৰিব পাৰি।

(দফা ৪৩)

তদুপৰি, আয় গণনাৰ উদ্দেশ্যে ভৱিষ্যতে প্ৰকৃত দৰমহা সংশোধনীৰ কথা লক্ষ্য ৰাখিব লাগে বুলি আপীলকাৰী দাবীদাৰসকলে কৰা ধাৰণাটোও সঠিক নহয়। এই গোচৰত দুৰ্ঘটনা আৰু মৃত্যু হৈছিল ১৯৮৮ চনত। ১৯৯৩ চনত ন্যায়াধিকৰণে এই ৰায় প্ৰদান কৰিছিল। উচ্চ ন্যায়ালয়ে ২০০৭ চনত এই আপীলৰ ক্ষেত্ৰত সিদ্ধান্ত লয়। প্ৰায় দুটা দশক ধৰি গোচৰৰ কাৰ্য্যবিধি আৰু আপীল চলি থকাটো এটা আকস্মিক পৰিস্থিতি আৰু ইয়াৰ ফলত আপীলকাৰীসকলে উক্ত দুটা দশকৰ ভিতৰত সংঘটিত হোৱা দৰমহাৰ দুয়োটা সংশোধিত নিৰিখৰ ওপৰত নিৰ্ভৰ কৰাৰ অধিকাৰ লাভ নকৰে। যদি ১৯৮৮ চনত দাখিল কৰা দাবী আবেদনখন ১৯৮৮-১৯৮৯ চনতেই নিষ্পত্তি কৰা হ'লহেঁতেন আৰু যদিহে ১৯৮৯-১৯৯০ চনত উচ্চ ন্যায়ালয়ে আপীলৰ সিদ্ধান্ত ল'লেহেঁতেন, তেন্তে স্পষ্টভাৱে ক্ষতিপূৰণৰ সিদ্ধান্ত কেৱল মৃত্যুৰ সময়ত প্ৰযোজ্য দৰমহাৰ নিৰিখৰ পৰিপ্ৰেক্ষিতহে লোৱা হ'লহেঁতেন, ভৱিষ্যতে হ'ব লগা দৰমহাৰ নিৰিখৰ কোনো সংশোধনীৰ পৰিপ্ৰেক্ষিতত নহয়।

(দফা ৪৫ আৰু ৪৬)

যদি দাবীদাৰসকলে আগবঢ়োৱা যুক্তি গ্ৰহণ কৰা হয়, তেন্তে ইয়াৰ ফলত তলত দিয়া পৰিস্থিতিৰ সৃষ্টি হ'ব: দাবীদাৰসকলে কেৱল দুৰ্ঘটনাৰ সময়ত বলবৎ থকা দৰমহাৰ নিৰিখৰ ওপৰতহে নিৰ্ভৰ কৰিব পাৰিব, যদিহে

তেওঁলোকে গোচৰটো চলাবলৈ তৎপৰ হয়। কিন্তু যদি তেওঁলোকে গোচৰৰ কাৰ্য্যবিধিৰ ক্ষেত্ৰত পলম কৰে তেন্তে গোচৰটোৰ কাৰ্যবিধি চলি থকাৰ সময়ত কাৰ্যকৰী হ'ব পৰা সংশোধিত উচ্চ দৰমহাৰ নিৰিখৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিব। নিশ্চয়কৈ এই তৎপৰতাৰ বাবেই তেওঁলোকে এইদৰে শাস্তি ভোগ কৰিব — কথাষাৰ কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। সেয়েহে মৃত্যুৰ পিছৰ সময়ৰ পৰা চূড়ান্ত শুনানিৰ পূৰ্ব্বলৈকে — এই সময়ছোৱাত পাব লগা ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণৰ বাবে সংশোধিত দৰমহাৰ নিৰিখৰ দিশটো বিবেচনা কৰিব লাগে বুলি আগবঢ়োৱা যুক্তিটো নাকচ কৰা হৈছে। (দফা ৪৭)

চ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — দুৰ্ঘটনাত মৃত্যু — ক্ষতিপূৰণ — মৃতকৰ আয়ৰ বিবেচনা — উক্ত মূল্যাংকনৰ বাবে মৃতকৰ আয়ৰ পৰা তেওঁৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ বাবে হ'বলগীয়া খৰচৰ কৰ্তন — নিৰূপণৰ ধৰণ — ক্ষেত্ৰত সাধাৰণ নীতি — মানদণ্ড নিৰ্ধাৰিত কৰ্ত্তনৰ প্ৰয়োগ — মৃতকৰ প্ৰকৃত ব্যয় দেখুৱাবলৈ সাক্ষ্য আগবঢ়োৱাৰ প্ৰয়োজনীয়তা — বিশদ নীতি নিৰ্দিষ্ট কৰা হৈছে — ট'ৰ্ট আইন — ক্ষতিপূৰণ/খেচাৰত — প্ৰাণঘাতক দুৰ্ঘটনা আইন, ১৮৫৫, ধাৰা ১-এ**

ছ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৩- এ — ধাৰা ১৬৬-ৰ অধীনত ক্ষতিপূৰণ — মৃতকৰ আয়ৰ পৰা তেওঁৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় খৰচৰ কৰ্তন — ধাৰা ১৬৩-এত উল্লেখিত ধৰণে এক-তৃতীয়াংশ কৰ্ত্তন — প্ৰযোজ্যতা — ৰায় দিয়া হৈছিল যে, কৰ্তনৰ উক্ত শতাংশ কোনো অনমনীয় নিয়ম নহয় আৰু ই কেৱল এটা নিৰ্দেশনাহে আগবঢ়ায়**

ৰায় দিয়া হৈছিল,

নিৰ্ভৰশীলসকলক প্ৰদান কৰিব লগীয়া ধনৰাশিৰ বিষয়ে সিদ্ধান্তত উপনীত হ'বলৈ হ'লে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ তেওঁৰ আয়ৰ পৰা কৰ্তন কৰিব লাগে। কিন্তু মৃতকৰ প্ৰকৃত খৰচ দেখুৱাবলৈ কোনো সাক্ষ্য/প্ৰমাণ আগবঢ়োৱাৰ প্ৰয়োজন নাই। আচলতে, সেই ক্ষেত্ৰত আগবঢ়োৱা যিকোনো সাক্ষ্য/প্ৰমাণ সম্পূৰ্ণৰূপে অপৰীক্ষণযোগ্য হ'ব আৰু অবিশ্বাসযোগ্য হোৱাৰ সম্ভাৱনা থাকিব। স্পষ্টভাৱে, দাবীদাৰসকলে এনে এক দাবী কৰাৰ প্ৰৱণতা থাকিব যে মৃত ব্যক্তিজন অতি মিতব্যয়ী আছিল আৰু তেওঁৰ কোনো ব্যয়বহুল অভ্যাস নাছিল আৰু তেওঁ কাৰ্যতঃ সমগ্ৰ আয় পৰিয়ালটোৰ বাবে খৰচ কৰিছিল। আনহাতে, দাবী আবেদনত উত্তৰদাতাসকলৰ বাবেও এই প্ৰমাণ দাখিল কৰাটো অতি কঠিন হ'ব যে মৃত ব্যক্তিজনে আয়ৰ যথেষ্ট অংশ নিজৰ বাবে ব্যয় কৰিছিল বা তেওঁ আয়ৰ এটা সৰু অংশহে পৰিয়ালৰ বাবে অৱদান আগবঢ়াইছিল। সেয়েহে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ শিতানৰ অধীনত কৰিবলগীয়া কৰ্তনৰ মানদণ্ড নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয় হৈ পৰিল। ইয়াৰ ফলত মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবদ, মৃতকজন বিবাহিত হ'লে আয়ৰ এক-তৃতীয়াংশ আৰু মৃতকজন অবিবাহিত হ'লে আয়ৰ আধা (৫০%) কৰ্তন কৰাৰ প্ৰথা আৰম্ভ হয়। অভিজ্ঞতা আৰু যুক্তিৰ আধাৰত ব্যৱহাৰৰ সুবিধাৰ বাবেই এই প্ৰথাৰ বিকাশ ঘটিছিল। আচলতে, এম.ভি. আইন, ১৯৮৮-ৰ ধাৰা ১৬৩-এ (চমুকৈ "এম.ভি. আইন")-ৰ অধীনত দাবীৰ ক্ষেত্ৰত, এক তৃতীয়াংশ কৰ্তনে আইনখনৰ দ্বিতীয় অনুসূচীৰ অধীনত বিধিগত স্বীকৃতি লাভ কৰিছিল। কিন্তু, কৰ্তনৰ এনে শতাংশ কোনো অনমনীয় নিয়ম নহয় আৰু ই কেৱল এটা নিৰ্দেশনাহে আগবঢ়ায়।

(দফা ২৫ আৰু ২৬)

যদিও কিছুমান ক্ষেত্ৰত ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰিবলগীয়া কৰ্তন *ত্ৰিলোক চন্দ্ৰ* গোচৰ, (১৯৯৬) ৪ এছ.চি.চি.৩৬২-ত উল্লেখ কৰা এককৰ ভিত্তিত গণনা কৰা হয়, সাধাৰণ পদ্ধতি হ'ল মান নিৰ্ধাৰিত কৰ্তন প্ৰয়োগ কৰা। এই আদালতৰ পৰৱৰ্তী কেইবাটাও সিদ্ধান্ত বিবেচনা কৰি মন্তব্য দিয়া হৈছিল যে যদি মৃতকৰ বিবাহ হৈছিল, মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে কৰ্তন, এক-তৃতীয়াংশ (১/৩ ভাগ) হ'ব লাগে য'ত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ সংখ্যা ২-ৰ পৰা ৩, এক-চতুৰ্থাংশ (১/৪ ভাগ) য'ত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ সংখ্যা ৪-ৰ পৰা ৬, আৰু এক-পঞ্চমাংশ (১/৫ ভাগ) য'ত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ সংখ্যা ছয়তকৈ অধিক। (দফা ৩০)

কিন্তু, যদি মৃত ব্যক্তিজন অবিবাহিত আছিল আৰু দাবীদাৰসকল পিতৃ-মাতৃ, তেনে ক্ষেত্ৰত কৰ্তনে অন্য এক নীতি অনুসৰণ কৰে। অবিবাহিতসকলৰ ক্ষেত্ৰত সাধাৰণতে ৫০% ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ হিচাপে কৰ্তন কৰা হয়, কাৰণ ধাৰণা কৰা হয় যে এজন অবিবাহিত ব্যক্তিয়ে নিজৰ বাবে অধিক খৰচ কৰাৰ প্ৰৱণতা থাকে। অন্যথা কম সময়ৰ ভিতৰতে তেওঁৰ বিয়া হোৱাৰ সম্ভাৱনাও আছে, যাৰ ফলত পিতৃ-মাতৃ আৰু ভাই-ভনীৰ প্ৰতি অৱদান যথেষ্টখিনি কৰ্তন হোৱাৰ সম্ভাৱনা থাকে। তদুপৰি, পিতৃৰ নিজৰ আয় থকাৰ সম্ভাৱনা থাকে আৰু যদিহে সেই সম্ভাৱনাৰ বিপৰীতে কোনো প্ৰমাণ নথাকে, তেন্তে তেওঁক নিৰ্ভৰশীল হিচাপে গণ্য কৰা নহ'ব আৰু কেৱল মাতৃক নিৰ্ভৰশীল হিচাপে গণ্য কৰা হ'ব। কোনো বিপৰীত প্ৰমাণৰ অভাৱত ভাই-ভনীক নিৰ্ভৰশীল বুলি গণ্য কৰা নহ'ব, কাৰণ তেওঁলোক হয় স্বাধীন আৰু উপাৰ্জনকাৰী হ'ব, নহয় বিবাহিত হ'ব, নহয় পিতৃৰ ওপৰত নিৰ্ভৰশীল হ'ব। (দফা ৩১)

এইদৰে মৃতকৰ পিতৃ-মাতৃ আৰু ভাই-ভনী থাকিলেও কেৱল মাতৃক নিৰ্ভৰশীল বুলি গণ্য কৰা হ'ব, আৰু ৫০% অবিবাহিতজনৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ আৰু ৫০% পৰিয়াললৈ অৱদান হিচাপে গণ্য কৰা হ'ব। কিন্তু যদি অবিবাহিতজনৰ পৰিয়াল বৃহৎ আৰু মৃতকৰ আয়ৰ ওপৰত নিৰ্ভৰশীল, যেনেকৈ এটা গোচৰত য'ত তেওঁৰ বিধৱা মাতৃ আৰু বৃহৎ সংখ্যক সৰু উপাৰ্জন নথকা ভগ্নী বা ভাতৃ থাকে, তেওঁৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ এক-তৃতীয়াংশতে সীমাবদ্ধ কৰিব পাৰি আৰু পৰিয়াললৈ অৱদান দুই তৃতীয়াংশ হিচাপে লোৱা হ'ব। (দফা ৩২)

*কেৰেলা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ, (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্রি.) ৩৩৫; ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্ৰিলোক চন্দ্ৰ, (১৯৯৬) ৪ এছ.চি.চি. ৩৬২; ফকীৰাপ্পা বনাম কৰ্ণাটক চিমেণ্ট পাইপ ফেক্টৰী, (২০০৪) ২ এছ.চি.চি. ৪৭৩ : ২০০৪ এছ.চি.চি. (ক্রি.) ৫৭৭, বিবেচনা কৰা হৈছে*

চলিত গোচৰটোত (য'ত মৃতকজনে জীৱিত এগৰাকী বিধৱা, তিনিটা নাবালক সন্তান, পিতৃ-মাতৃ আৰু ককাকক এৰি থৈ যায়, যাৰ পিছলৈ মৃত্যু হয়) উপাৰ্জনকাৰী সদস্য হিচাপে মৃত ব্যক্তিজনে ভ্ৰমণ/পৰিবহণ আৰু অন্যান্য প্ৰয়োজনীয়তাৰ বাবে ব্যয় কৰাৰ বাহিৰে পৰিয়ালৰ আন সদস্যসকলতকৈ নিজৰ বাবে অধিক খৰচ কৰিলেহেঁতেন। গতিকে আমাৰ মতে ন্যায়ৰ স্বাৰ্থত মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ হিচাপে এক-পঞ্চমাংশ কৰ্তন কৰাটো উচিত হ'ব। (দফা ৪৯)

জ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৩-এ আৰু ১৬৬ — মটৰ দুৰ্ঘটনাৰ দাবী — যথাক্ৰমে ধাৰা ১৬৩-এ আৰু ১৬৬-ৰ অধীনত দায়বদ্ধতা আৰু ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ণয়কাৰী নীতিসমূহ — পাৰ্থক্য**

এম.ভি. আইনৰ ধাৰা ১৬৩-এ-ৰ অধীনত কৰা দাবী আৰু এম.ভি. আইনৰ ধাৰা ১৬৬-ৰ অধীনত কৰা দাবীৰ বাবে দায়বদ্ধতা আৰু ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ণয়ৰ সৈতে জড়িত নীতিসমূহ পৃথক। ধাৰা ১৬৩-এ আৰু দ্বিতীয় অনুসূচীটো ধাৰা ১৬৬-ৰ অধীনৰ আবেদনত ক্ষতিপূৰণ নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

(দফা ৩৭)

*অৰিয়েণ্টেল ইনশ্বুৰেন্স কোম্পানী লিমিটেড বনাম মীনা ভাৰিয়াল, (২০০৭) ৫ এছ.চি.চি. ৪২৮ : (২০০৭) ২ এছ.চিচি. (ক্রি.) ৫২৭ –ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে*

ঝ. **মটৰ গাড়ী আইন, ১৯৮৮ — দ্বিতীয় অনুসূচীৰ সৈতে সংলগ্ন কৰা ধাৰা ১৬৩-এ — দ্বিতীয় অনুসূচীৰ অধীনত প্ৰদান কৰা ক্ষতিপূৰণ নিৰ্ধাৰণৰ পদ্ধতি — দ্বিতীয় অনুসূচীত সংঘটিত হোৱা গুণক স্কেল (মাপনী)-ৰ বিভিন্ন অমিল/ভুল আৰু অন্যান্য বিসঙ্গতি — উচ্চতম ন্যায়ালয়ৰ দ্বাৰা আঙুলিয়াই দিয়া (দফা ৩৪-ৰ পৰা ৩৬)**

ঞ. **মটৰ গাড়ী আইন, ১৯৮৮ — ধাৰা ১৬৬ আৰু ১৬৮ — ৩৮ বছৰীয়া চৰকাৰী কৰ্মচাৰীৰ মটৰ দুৰ্ঘটনাত মৃত্যু — ক্ষতিপূৰণ নিৰ্ধাৰণ — বৰ্তমানৰ গোচৰত উল্লেখ কৰা ধৰণে প্ৰাসংগিক নীতি প্ৰয়োগ — উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ক্ষতিপূৰণ বৃদ্ধি — মৃতকে, মৃত্যুৰ সময়ত যাৰ দৰমহা আছিল ৪০০০ টকা প্ৰতিমাহে, এগৰাকী বিধৱা, তিনিটা নাবালক সন্তান, পিতৃ-মাতৃ আৰু পিছলৈ মৃত্যুবৰণ কৰা ককাকক এৰি থৈ যায় — উক্ত মৃতকৰ ভৱিষ্যতৰ সম্ভাৱনা লক্ষ্য কৰি ক্ষতিপূৰণৰ মূল্যায়নৰ উদ্দেশ্যে তেওঁৰ দৰমহাৰ প্ৰায় ৫০% প্ৰকৃত দৰমহাৰ আয়ৰ লগত যোগ কৰি ৬০০৬ টকা হিচাপে নিৰ্ধাৰণ কৰা হয় — মাহিলী আয়ৰ ১/৫ ভাগ মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰ্তন কৰি, পৰিয়াল (নিৰ্ভৰশীল)-লৈ বছৰি বৰঙণি ৫৭,৬৫৮ টকা হিচাপে নিৰ্ধাৰণ কৰা হয় — মৃতকৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি ১৫ ৰ গুণক প্ৰয়োগ কৰিলে নিৰ্ভৰশীলতাৰ ক্ষতি ৫৭,৬৫৮ × ১৫ টকা অৰ্থাৎ ৮,৬৪,৮৭০ টকা হয় —তাৰ লগতে, দাবীদাৰসকলে “ভূ-সম্পত্তিৰ ক্ষতি”ৰ শিতানত ৫০০০ টকা আৰু অন্ত্যেষ্টিক্ৰিয়াৰ খৰচৰ দিশত ৫০০০ টকাৰো অধিকাৰী আছিল — ইয়াৰ উপৰিও, বিধৱাই সাহচৰ্যৰ ক্ষতি হিচাপে ১০,০০০ টকা পাব লাগে — এইদৰে, মুঠ ক্ষতিপূৰণ ৮,৮৪,৮৭০ টকা হিচাপে নিৰ্ধাৰণ কৰা হয় — তাৰ পিছত উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ৭,১৯,৬২৪ টকা বিয়োগ কৰিলে, বৰ্ধিত ক্ষতিপূৰণ হ’ব ১,৬৫,২৪৬ টকা — আপীলকাৰী দাবীদাৰসকলে ইতিমধ্যে নিৰ্ধাৰণ কৰা ধনৰ উপৰিও আবেদনৰ তাৰিখৰ পৰা বাস্তৱায়িত হোৱাৰ তাৰিখলৈকে প্ৰতি বছৰে ৬% সুতৰ সৈতে উক্ত বৰ্ধিত ধনৰ অধিকাৰী — দেৱানী কাৰ্যবিধি আইন, ১৯০৮ — ধাৰা ৩৪ — সুত আইন, ১৯৭৮, ধাৰা ৩ আৰু ৪ (দফা ৪৩ আৰু ৪৯-ৰ পৰা ৫১)**

এই গোচৰত উপস্থিত থকা অধিবক্তাসকল:

আপীলকাৰীসকলৰ হৈ অধিবক্তা অশোক কে. মহাজন;

প্ৰতিপক্ষৰ হৈ অধিবক্তা ড° মণিকা গুচাই।

***উদ্ধৃত গোচৰৰ কালানুক্ৰমিক তালিকা:***

১. (২০০৭) ৫ এছ.চি.চি. ৪২৮ : (২০০৭) ২ এছ.চি.চি. (ক্রি.) ৫২৭, অৰিয়েণ্টেল ইনশ্বুৰেন্স কোম্পানী লিমিটেড বনাম মীনা ভাৰিয়াল

২. (২০০৬) ৬ এছ.চি.চি. ২৪৯ : (২০০৬) ৩ এছ.চি.চি. (ক্রি.) ৯০, ইউ.পি. এছ.আৰ.টি.চি. বনাম কৃষ্ণ বালা

৩. (২০০৫) ১০ এছ.চি.চি. ৭২০: ২০০৫ এছ.চি.চি. (ক্রি.) ১৬৫৭, নিউ ইণ্ডিয়া এশ্বুৰেন্স কোম্পানী লিমিটেড বনাম চাৰ্লি

৪. (২০০৫) ৬ এছ.চি.চি. ২৩৬ : ২০০৫ এছ.চি.চি. (ক্রি.) ১৪৩৬, টি.এন. ৰাজ্যিক পৰিবহণ নিগম লিমিটেড বনাম এছ ৰাজাপ্রিয়া

৫. (২০০৪) ২ এছ.চি.চি. ৪৭৩ : ২০০৪ এছ.চি.চি. (ক্রি.) ৫৭৭, ফকীৰাপ্পা বনাম কৰ্ণাটক চিমেণ্ট পাইপ ফেক্টৰী

৬. (২০০৩) ২ এছ.চি.চি. ১৪৮ : ২০০৩ এছ.চি.চি. (ক্রি.) ৭৪৬, আবাতি বেজবৰুৱা বনাম ভাৰতৰ ভূতাত্ত্বিক জৰীপ

৭. (১৯৯৬) ৪ এছ.চি.চি. ৩৬২, ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্রিলোক চন্দ্র

৮. (১৯৯৬) ৩ এছ.চি.চি. ১৭৯, সৰলা দীক্ষিত বনাম বলৱন্ত যাদৱ

৯. (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্রি.) ৩৩৫, কেৰেলা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ

১০. ১৯৫১ এ.চি. ৬০১ : (১৯৫১) ২ অল. ই.আৰ. ৪৪৮ (পি.চি.), নেন্স বনাম ব্রিটিছ কলম্বিয়া ইলেক্ট্রিক ৰেলৱে কোম্পানী লিমিটেড।

১১. ১৯৪২ এ.চি. ৬০১ : (১৯৪২) ১ অল. ই.আৰ. ৬৫৭ (এইচ.এল.), ডেভিছ বনাম পাৱেল ডাফ্রিন এছ'চিয়েটেড কলিয়াৰীজ লিমিটেড।

আদালতৰ আদেশ প্রদান কৰা হৈছিল নিম্নোক্ত ন্যায়াধীশৰ দ্বাৰা

**ন্যায়াধীশ আৰ.ভি. ৰবীন্দ্রন** — মটৰ দুৰ্ঘটনাৰ গোচৰত দাবীদাৰসকলে ক্ষতিপূৰণ বৃদ্ধিৰ বাবে বিশেষ অনুমতি প্রাপ্তিৰ জৰিয়তে এই আবেদন দাখিল কৰিছে। ১৮-৪-১৯৮৮ তাৰিখে দিল্লী পৰিবহণ নিগমৰ ডি.এল.পি. ৮২৯ নম্বৰৰ বাছ এখনৰ সৈতে সংঘটিত হোৱা মটৰ দুৰ্ঘটনাত আঘাতপ্রাপ্ত হোৱাৰ বাবে ৰাজিন্দৰ প্রকাশৰ মৃত্যু হয়। দুৰ্ঘটনা আৰু অকাল মৃত্যুৰ সময়ত মৃত লোকজনৰ বয়স আছিল ৩৮ বছৰ আৰু তেওঁ ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR)-ত বিজ্ঞানী হিচাপে কাম কৰি আছিল আৰু মাহিলী দৰমহা ৩৪০২ টকা আৰু অন্যান্য সা-সুবিধা লাভ কৰি আছিল।

**২.** ৰাজিন্দৰ প্রকাশৰ বিধৱা পত্নী, তিনিটা নাবালক সন্তান, পিতৃ-মাতৃ আৰু ককাক (যাৰ ইতিমধ্যে মৃত্যু হৈছে)-য়ে নতুন দিল্লীৰ মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণত ১৬ লাখ টকাৰ দাবী দাখিল কৰে। গোচৰীয়া পক্ষৰ ৪ নং সাক্ষী হিচাপে পৰীক্ষা কৰা আই.চি.এ.আৰ.-ৰ এজন বিষয়াই সাক্ষ্য প্রদান কৰে যে আই.চি.এ.আৰ.-ৰ সেৱাত অৱসৰ লোৱাৰ বয়স ৬০ বছৰ আৰু মৃত্যুৰ সময়ত মৃতকজনে লাভ কৰা দৰমহা প্রতিমাহে ৪০০৪ টকা আছিল। ন্যায়াধিকৰণে ৬-৮-১৯৯৩ তাৰিখৰ ৰায়দানৰ দ্বাৰা এই দাবীৰ আংশিক অনুমতি দিছিল।

**৩.** ন্যায়াধিকৰণে মৃতকৰ মাহিলী দৰমহা ৩৪০২ টকা হিচাপে লৈ ক্ষতিপূৰণৰ হিচাপ কৰিছিল। মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ ক্ষেত্রত এক তৃতীয়াংশ কৰ্তন কৰিছিল, আৰু পৰিয়াললৈ বৰঙণি প্রতিমাহে ২২৫০ টকা (বা প্রতিবছৰে ২৭,০০০ টকা) হিচাপে সিদ্ধান্তত উপনীত হৈছিল। অৱসৰৰ বয়স ৬০ বছৰ বুলি দিয়া সাক্ষ্যৰ প্রতি লক্ষ্য ৰাখি ইয়াৰ মতে অকাল মৃত্যুৰ বাবে হেৰুৱা সেৱাৰ সময়সীমা ২২ বছৰ।

সেয়েহে ২২ গুণক প্ৰয়োগ কৰি পৰিয়ালটোৱে নিৰ্ভৰশীলতাৰ ক্ষতি হিচাপে ৫,৯৪,০০০ টকা পাব লাগে বুলি সিদ্ধান্ত লোৱা হ'ল। ন্যায়াধিকৰণে আবেদনৰ তাৰিখৰ পৰা বাস্তৱায়িত হোৱাৰ তাৰিখলৈকে বছৰি ৯% হাৰত উক্ত ধনৰাশি সুতৰ সৈতে প্ৰদান কৰিছিল। অন্তৰৰ্তীকালীন ক্ষতিপূৰণ হিচাপে দিয়া ১৫ হাজাৰ টকা বাদ দিয়াৰ পিছত বাকী থকা ক্ষতিপূৰণ দাবীদাৰৰ মাজত অৰ্থাৎ বিধৱাক ৩,০০,০০০ টকা, দুগৰাকী কন্যাৰ প্ৰতিগৰাকীক ৭৫,০০০ টকা, পুত্ৰক ৫০,০০০ টকা, ককাকক ১৯,০০০ টকা আৰু অভিভাৱকসকলৰ প্ৰতিজনলৈ ৩০ হাজাৰ টকা হিচাপত ভাগ কৰে। ক্ষতিপূৰণৰ পৰিমাণত অসন্তুষ্ট হৈ আপীলকাৰীসকলে আপীল দাখিল কৰে।

৪. দিল্লী উচ্চ ন্যায়ালয়ে ১৫-২-২০০৭ তাৰিখৰ ৰায়দানৰ দ্বাৰা উক্ত আবেদনৰ আংশিক অনুমতি দিছিল। উচ্চ ন্যায়ালয়ৰ মতামত আছিল যে যদিও দাবী আবেদনত দৰমহা ৩৪০২ টকা আৰু অন্যান্য সুবিধাৰ কথা উল্লেখ কৰা হৈছে, গোচৰীয়া পক্ষৰ ৪ নং সাক্ষীৰ সাক্ষ্য অনুসৰি দৰমহা প্ৰতিমাহে ৪০০৪ টকা হিচাপে ল'ব লাগে। যদি এই তথ্য লক্ষ্য কৰা হয় যে মৃত্যুৰ সময়ত মৃতকজনৰ ২২ বছৰীয়া সেৱা বাকী আছিল আৰু সেই সময়ছোৱাত তেওঁৰ দৰমহাৰ বাৰ্ষিক বৃদ্ধি হ'লহেঁতেন আৰু সংশোধিত নিৰিখত দৰমহা উপাৰ্জন কৰিলেহেঁতেন, সেই অনুসৰি তেওঁৰ অৱসৰৰ সময়লৈকে দৰমহা অন্ততঃ দুগুণ হ'লহেঁতেন (প্ৰতিমাহে ৮০০৮ টকা)। সেয়েহে মৃতকৰ আয় প্ৰতিমাহে ৬০০৬ টকা হিচাপে নিৰ্ধাৰণ কৰা হৈছিল, যিটো ৪০০৪ টকা (মৃত্যুৰ সময়ত তেওঁ লাভ কৰা দৰমহা) আৰু ৮০০৮ টকা (অৱসৰৰ সময়ত তেওঁ লাভ কৰিবলগীয়া দৰমহা)-ৰ গড় আছিল।

৫. পৰিয়ালটোৰ বৃহৎ সংখ্যক সদস্যৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ৰ মত আছিল যে মান নিৰ্ধাৰিত এক তৃতীয়াংশ কৰ্তনৰ পৰিৱৰ্তে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে মাত্ৰ এক চতুৰ্থাংশহে কৰ্তন কৰিব লাগে। এনে কৰ্তনৰ পিছত পৰিয়াললৈ বৰঙণি মাহে ৪৫০৪ টকা বা বছৰি ৫৪,০৪৮ টকা ধাৰ্য কৰা হৈছিল। মৃতকৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি উচ্চ ন্যায়ালয়ে '১৩' গুণক হিচাপে বাছি লৈছিল। সাহচৰ্যৰ ক্ষতিৰ দিশত ১৫ হাজাৰ টকা আৰু অন্ত্যেষ্টিক্ৰিয়াৰ খৰচ হিচাপে ২০০০ টকা যোগ কৰি মুঠ ক্ষতিপূৰণ ৭,১৯,৬২৪ টকা হিচাপে নিৰ্ধাৰণ কৰা হয়। এইদৰে দাবী আবেদনৰ দাখিলৰ তাৰিখৰ পৰা বছৰি ৬% হাৰত ক্ষতিপূৰণ ১,২৫,৬২৪ টকা বৃদ্ধি কৰি আপীলৰ নিষ্পত্তি কৰা হয়। উক্ত বৃদ্ধিত সন্তুষ্ট নহৈ আপীলকাৰীসকলে এই আবেদন দাখিল কৰিছে।

৬. আপীলকাৰীসকলে কয় যে উচ্চ ন্যায়ালয়ে ভৱিষ্যতৰ সম্ভাৱনাৰ সন্দৰ্ভত কোনো প্ৰমাণ নাই বুলি ধৰি লৈ ভুল কৰিছিল; আৰু হিচাপৰ বাবে গ্ৰহণ কৰা পদ্ধতিত কোনো ভুল নাই যদিও উচ্চ ন্যায়ালয়ে মৃতকৰ আয় হিচাপে উচ্চতৰ ধন-ৰাশি লোৱা উচিত আছিল। তেওঁলোকে দাবী কৰে যে ২-৬-২০০০ আৰু ৫-৫-২০০৫ তাৰিখে উচ্চ ন্যায়ালয়ত দুখন আবেদন দাখিল কৰি উচ্চ ন্যায়ালয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিল যে দৰমহাৰ সংশোধিত নিৰিখ অনুযায়ী যদি মৃতক জীয়াই থাকিলেহেঁতেন, তেন্তে প্ৰতি মাহে তেওঁৰ দৰমহা ৩১-১২-১৯৯৯ তাৰিখে ২০,৮৯০ টকা আৰু ১-১০-২০০৫ তাৰিখে ৩২,৬৭৮ টকা হ'লহেঁতেন। দৰমহাৰ সংশোধিত নিৰিখ অনুযায়ী দৰমহাৰ সংশোধনসমূহ স্থিৰ কৰিবলৈ আপীলকাৰীসকলে নিয়োগকৰ্তাই (আই.চি.এ.আৰ.) জাৰি কৰা ৭-১২-১৯৯৮ আৰু ২৮-১০-২০০৫ তাৰিখৰ নিশ্চিতকৰণ পত্ৰ দাখিল কৰে। তেওঁলোকৰ অভিযোগ যে উচ্চ ন্যায়ালয়ে আয় আৰু নিৰ্ভৰশীলতাৰ ক্ষতিৰ হিচাপ কৰিবলৈ সেই নিৰ্বিবাদ নথি-পত্ৰৰ বিবেচনা কৰা নাছিল।

৭. আপীলকাৰীসকলে কয় যে মৃতকৰ মাহিলী আয় ১৮,৩৪১ টকা হিচাপে গণ্য কৰিব লাগে যিটো ৩২,৬৭৮ টকা (১-১০-২০05 তাৰিখৰ আয় দেখুওৱা হৈছে) আৰু ৪004 টকা (মৃত্যুৰ সময়ত আয়)-ৰ গড়। তেওঁলোকে দাবী কৰে যে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে মাত্ৰ এক অষ্টমাংশহে কৰ্তন কৰিব লাগিছিল। তেওঁলোকে আঙুলিয়াই দিয়ে যে তাৰ পৰা মাত্ৰ এক চতুৰ্থাংশ (৪৫৮৫ টকা) মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে কৰ্তন কৰিলেও পৰিয়াললৈ বৰঙণি মাহে ১৩,৭৫৬ টকা বা বছৰি ১,৬৫,০৭২ টকা হ'লহেঁতেন।

৮. আপীলকাৰীসকলে দাবী কৰে যে মটৰ গাড়ী আইন, ১৯৮৮ ("আইন", চমুকৈ ক'বলৈ গ'লে)-ৰ দ্বিতীয় অনুসূচীৰ পৰিপ্ৰেক্ষিতত, ৩৮ বছৰ বয়সত মৃত্যু হোৱা ব্যক্তিৰ বাবে উপযুক্ত গুণক হ'ব ১৬ আৰু সেয়েহে নিৰ্ভৰশীলতাৰ মুঠ ক্ষতি হ'ব ২৬,৪১,১৫২ টকা। দাবীদাৰসকলে ভোগ কৰা যন্ত্ৰণা আৰু দুখ-কষ্টৰ দিশত এক লাখ টকা যোগ কৰিব লাগে বুলিও তেওঁলোকে দাবী কৰে। সেয়েহে তেওঁলোকে দাখিল কৰে যে ২৭,৪৭,১৫২ টকা তেওঁলোকক প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ হিচাপে নিৰ্ধাৰণ কৰিব লাগে।

৯. পক্ষসমূহে উত্থাপন কৰা যুক্তিসমূহে তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ জন্ম দিয়ে:

(i) মৃতকৰ আয় নিৰ্ণয়ৰ বাবে ভৱিষ্যতৰ সম্ভাৱনাৰ বিচাৰ কৰিব পাৰি নেকি? যদি পাৰি, তেন্তে গোচৰৰ কাৰ্য্যবিধি বা তাৰ পৰা উদ্ভৱ হোৱা আপীল চলি থকাৰ সময়ত নিৰ্ধাৰিত হোৱা সংশোধিত দৰমহাৰ নিৰিখৰ প্ৰতি লক্ষ্য কৰা উচিত নেকি?

(ii) মৃত ব্যক্তিজনৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰা কৰ্তনৰ পৰিমাণ আপীলকাৰীয়ে দাবী কৰাৰ দৰে এক-চতুৰ্থাংশতকৈ (১/৪ ভাগ) কম হ'ব লাগে নে উত্তৰদাতাসকলে দাবী কৰাৰ দৰে এক তৃতীয়াংশ (১/৩ ভাগ) হ'ব লাগে?

(iii) উচ্চ ন্যায়ালয়ে '১৩'-ক গুণক বুলি লোৱাটো ভুল নেকি?

(iv) ক্ষতিপূৰণ কি হোৱা উচিত?

*সাধাৰণ নীতিসমূহ*

১০. সিদ্ধান্তৰ পৰা উত্থাপিত প্ৰশ্নসমূহ বিবেচনা কৰাৰ আগতে মৃত্যুৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ মূল্যায়নৰ সৈতে জড়িত প্ৰাসংগিক নীতিসমূহ মনত পেলোৱাটো উপযুক্ত হ'ব। ইয়াৰ আগতে আদালত আৰু ন্যায়াধিকৰণৰ সিদ্ধান্তসমূহৰ মাজত যথেষ্ট তাৰতম্য আৰু অধাৰাবাহিকতা আছিল কাৰণ কিছুমানে *নেন্স বনাম ব্ৰিটিছ কলম্বিয়া ইলেক্ট্ৰিক ৰেলৱে কোম্পানী লিমিটেড* [১] গোচৰত উল্লেখ কৰা *নেন্স পদ্ধতি* [১] গ্ৰহণ কৰিছিল আৰু কিছুমানে *ডেভিছ বনাম পাৱেল ডাফ্ৰিন এছ'চিয়েটেড কলিয়ৰীজ লিমিটেড* [২] গোচৰত উল্লেখ কৰা *ডেভিছ পদ্ধতি* [২] গ্ৰহণ কৰিছিল।

১১. দুয়োটা পদ্ধতিৰ মাজৰ পাৰ্থক্য এই আদালতে *কেৰালা এছ.আৰ.টি.চি. বনাম চুছাম্মা থমাছ* [৩] গোচৰত বিবেচনা কৰি ব্যাখ্যা কৰিছিল। বিস্তৃত বিবেচনাৰ অন্তত এই আদালতে *নেন্স পদ্ধতি* [১] -তকৈ *ডেভিছ পদ্ধতি* [২] -ক অগ্ৰাধিকাৰ দিছিল।

১২. আমি তলত *চুছাম্মা থমাছ* [৩] গোচৰত উল্লেখ কৰা নীতিসমূহ উদ্ধৃত কৰোঁ: (এছ.চি.চি. পৃষ্ঠা ১৭৭ই)

“মৃত্যুৰ ফলত প্ৰতিজন নিৰ্ভৰশীল লোকে যি আৰ্থিক লোকচানৰ সন্মুখীন হৈছে আৰু ভৱিষ্যতে ভুগিবলগীয়া হোৱাৰ সম্ভাৱনা আছে, তাৰ আধাৰত প্ৰাণঘাতক দুৰ্ঘটনাৰ ক্ষেত্ৰত কাৰ্য্যতঃ ক্ষতিৰ পৰিমাপ স্থিৰ কৰা হয়।”

“*৯.* নিৰ্ভৰশীল লোকসকলক ক্ষতিপূৰণ দিবলৈ ক্ষতিপূৰণৰ নিৰ্ধাৰণ কৰা কাৰ্যটো অসুবিধাযুক্ত কাৰণ ইয়াত বহুতো অনিশ্চয়তাপূৰ্ণ দিশৰ বিবেচনা কৰিব লগা হয়, যেনে, মৃতক আৰু নিৰ্ভৰশীলসকলৰ আয়ুস কিমান হ’লহেঁতেন, মৃত ব্যক্তিয়ে বাকী থকা জীৱনকালত কিমান ধন উপাৰ্জন কৰিলেহেঁতেন, সেই সময়ছোৱাত তেওঁ নিৰ্ভৰশীল লোকসকলৰ বাবে কিমান পৰিমাণৰ বৰঙণি আগবঢ়াব পাৰিলেহেঁতেন আদি, ঠিক তেনেদৰে মৃত ব্যক্তিজনে বা নিৰ্ভৰশীলসকলে তেওঁলোকৰ আয়ুসৰ আনুমানিক বাকী থকা সময়ছোৱালৈকে জীয়াই নথকাৰ সম্ভাৱনাও থাকে তথা এইটোও সম্ভৱ হ’ব পাৰে যে মৃতকে হয়তো ভাল কৰ্মসংস্থাপন বা আয় লাভ কৰিলেহেঁতেন বা নিজৰ কৰ্মসংস্থাপন বা আয় সম্পূৰ্ণৰূপে হেৰুৱালেহেঁতেন।

*১০.* খেচাৰত নিৰ্ধাৰণ কৰা পদ্ধতি হ’ল মৃতকৰ নিজৰ আৰু নিৰ্ভৰশীলসকলৰ সহায়ৰ বাবে উপলব্ধ তেওঁৰ মুঠ আয় নিশ্চিত কৰা, আৰু তাৰ পৰা তেওঁৰ আয়ৰ এনে এটা অংশ কৰ্তন কৰা যিটো মৃতকে ব্যক্তিগত পৰিচৰ্যা আৰু আমোদৰ বাবে খৰচ কৰাত অভ্যস্ত আছিল, আৰু এইটো নিশ্চিত কৰাটো যে মৃতকৰ মুঠ আয়ৰ কি অংশ তেওঁ নিৰ্ভৰশীলসকলৰ বাবে খৰচ কৰাত অভ্যস্ত আছিল। ইয়াৰ পিছত সেইটো এনে এটা সংখ্যাৰে পূৰণ কৰি মূলধনলৈ ৰূপান্তৰিত কৰা উচিত যিটো সংখ্যাই কিমান বছৰৰ বাবে ক্ষতিপূৰণ বিচৰা হৈছে সেইয়া প্ৰতিনিধত্ব কৰে।

(এছ.চি.চি. পৃষ্ঠা ১৮২-৮৩, দফা ৯-১০)

“*১৩.* গুণক পদ্ধতিটোৰে গোচৰৰ পৰিস্থিতিসমূহৰ প্ৰতি লক্ষ্য ৰাখি আৰু এক যথাযথ গুণনীয়কেৰে গুণ্যক মূলধনলৈ ৰূপান্তৰিত কৰি নিৰ্ভৰশীলতাৰ ক্ষতি বা গুণ্যৰ নিশ্চিতকৰণ জড়িত কৰে। মৃত ব্যক্তি বা দাবীদাৰৰ ভিতৰত যিজনৰেই বয়স বেছি, তাৰ ভিত্তিত গুণকৰ বাছনি কৰা হয় আৰু এক সুস্থিৰ অৰ্থনৈতিক পৰিৱেশত উপযুক্ত সুতৰ হাৰত কিমান মূলধন বিনিয়োগ কৰিলে বাৰ্ষিক সুতৰ দ্বাৰা গুণ্যক লাভ কৰিব সেই গণনাৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। এই কথা নিৰ্ণয় কৰাৰ ক্ষেত্ৰত এই কথাটোও লক্ষ্য ৰাখিব লাগে যে নিৰ্ভৰশীলসকলক যি সময়ছোৱাত বিত্তীয় সহায়ৰ প্ৰয়োজন হ’ব বুলি আশা কৰা হয়, সেই সময়ছোৱাত সমগ্ৰ মূলধন খৰচ কৰা হ’ব।”

(এছ.চি.চি. পৃষ্ঠা ১৮৩, দফা ১৩)

“*১৬.* পুনৰ কোৱাটো প্ৰয়োজনীয় যে গুণক পদ্ধতি যুক্তিগতভাৱে সবল আৰু আইনগতভাৱে সুপ্ৰতিষ্ঠিত। কিছুমান গোচৰত মৃতকজন জীয়াই থকা হ’লে তেওঁৰ জীৱনকালত যিমান উপাৰ্জন কৰিলেহেঁতেন, সেই সমগ্ৰ উপাৰ্জন একত্ৰিত কৰাৰ ভিত্তিত ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হৈছে, তাৰ পৰা ভৱিষ্যতৰ অনিশ্চয়তাৰ দিশত এটা শতাংশ কৰ্তন কৰি তাৰ ফলত পোৱা ধনৰাশি ক্ষতিপূৰণ হিচাপে প্ৰদান কৰিছে। এইটো স্পষ্টভাৱে অবৈজ্ঞানিক। উদাহৰণস্বৰূপে, যদি মৃত্যুৰ সময়ত মৃত ব্যক্তিজনৰ বয়স, ধৰক ২৫ বছৰ আছিল আৰু আয়ুস ৭০ বছৰ হয়, তেন্তে এই পদ্ধতিয়ে — সাধাৰণতে ৪৫-ক

গুণক হিচাপে গ্ৰহণ কৰি — গোটেই ৪৫ বছৰৰ বাবে নিৰ্ভৰশীলতাৰ ক্ষতিৰ হিচাপ কৰা হ'ব আৰু যদি এক-তৃতীয়াংশ বা এক-চতুৰ্থাংশ ইয়াৰ পৰা ভৱিষ্যত জীৱনৰ অনিশ্চয়তাৰ দিশত কৰ্তন কৰা হয়, তাৎক্ষণিক এককালীন ধন পৰিশোধৰ বাবে কাৰ্যকৰী গুণক ৩০ আৰু ৩৪-ৰ ভিতৰত হ'ব। এইটো কোনোপধ্যেই অনুমোদনযোগ্য নহয়।"

**১৩.** *ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্ৰিলোক চন্দ্ৰ গোচৰ* [4] -ত, এই আদালতে *চুছাম্মা থমাছ* [3] -ত অনুসৰণ কৰা *ডেভিছ পদ্ধতি* [2] ৰ প্ৰতি অগ্ৰাধিকাৰ পুনৰবাৰ উল্লেখ কৰি এইদৰে কয়: (*ত্ৰিলোক চন্দ্ৰ গোচৰ* [4], এছ.চি.চি. পৃষ্ঠা ৩৭০, দফা ১৬)

"**১৬.** ভিছকাউন্ট চাইমনে *নেন্স* [1] -ত গ্ৰহণ কৰা পদ্ধতিতো, প্ৰথমে বাৰ্ষিক নিৰ্ভৰশীলতাৰ হিচাপ কৰা হয় আৰু তাৰ পিছত মৃতকৰ আনুমানিক বাকী থকা জীৱনকালৰ সৈতে পূৰণ কৰা হয়। সাধাৰণতে দীৰ্ঘায়ুৰ ভিত্তিত এই কথা নিৰ্ণয় কৰা হয়। কিন্তু তেতিয়া জীৱনৰ অনিশ্চয়তাৰ ওপৰত প্ৰভাৱ পেলোৱা বিভিন্ন কাৰকৰ বিবেচনা কৰাটো প্ৰয়োজনীয় হৈ পৰিব, যেনে, মৃত বা নিৰ্ভৰশীল ব্যক্তিৰ অকাল মৃত্যু, পুনৰ বিবাহ, ত্বৰান্বিত ধন পৰিশোধ আৰু বুদ্ধিমান আৰু বিচক্ষণ বিনিয়োগেৰে উপাৰ্জন বৃদ্ধি ইত্যাদি। সাধাৰণতে অনুভৱ কৰা হৈছিল যে বিভিন্ন অনিশ্চিত কাৰকৰ ওপৰত ৰেহাই দিয়াৰ ফলত ক্ষতিপূৰণৰ মূল্যায়ন যথেষ্ট জটিল হৈ পৰে আৰু প্ৰায়েই এক মোটামুটি আৰু সহজ ব্যৱস্থা হিচাপে, ধাৰ্য্য আয়ুসৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্ভৰশীলতাৰ এক-তৃতীয়াংশৰ পৰা আধা হ্ৰাস কৰা হয়। সেই কাৰণেই ভাৰতৰ লগতে ইংলেণ্ডৰ আদালতে *ডেভিছ* [2] পদ্ধতিক সহজ আৰু অধিক বাস্তৱসন্মত বুলি পছন্দ কৰিছিল। কিন্তু আগতে পৰ্যবেক্ষণ কৰা আৰু *চুছাম্মা থমাছ গোচৰ* [3] -ত আঙুলিয়াই দিয়াৰ দৰে সাধাৰণতে ইংলেণ্ডৰ আদালতত গুণক ১৬-তকৈ বেছি হোৱাটো খুব কমেই দেখা যায়। ভাৰতৰ আদালতসমূহেও কিছুদিন আগলৈকে একে ধৰণৰ আৰ্হি অনুসৰণ কৰিছিল যেতিয়ালৈ ন্যায়াধিকৰণ/আদালতসমূহে অনিশ্চিত কাৰকৰ বাবে কৰ্তন নকৰাকৈ *নেন্স পদ্ধতি* [1] –ৰ দৰে হাইব্ৰিড পদ্ধতি ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল।"

*"**১৫.** ... ডেভিছ [2]-ত লৰ্ড ৰাইটে পোষকতা কৰা সূত্ৰৰ অধীনত প্ৰথমে মৃতকৰ মাহিলী আয় নিৰ্ণয় কৰি, তাৰ পৰা মৃতকৰ ওপৰত ব্যয় কৰা ধনৰাশি কৰ্তন কৰি আৰু এইদৰে মৃতকৰ ওপৰত নিৰ্ভৰশীল লোকসকলৰ লোকচানৰ মূল্যায়ন কৰি ক্ষতিৰ নিৰ্ণয় কৰিব লাগিব। এইদৰে মূল্যায়ন কৰা বাৰ্ষিক নিৰ্ভৰশীলতাক তাৰ পিছত উপযুক্ত গুণক ব্যৱহাৰ কৰি পূৰণ কৰিব লাগে।"* (*ত্ৰিলোক চন্দ্ৰ গোচৰ* [4], এছ.চি.চি. পৃষ্ঠা ৩৬৯-৭০, দফা ১৫) (গুৰুত্ব প্ৰদান কৰা হৈছে)

**১৪.** ক্ষতিপূৰণ নিৰ্ধাৰণৰ ক্ষেত্ৰত সামঞ্জস্যহীনতা আৰু ধাৰাবাহিকতাৰ অভাৱ অতিশয় চিন্তাৰ বিষয় হৈ পৰিছে। প্ৰতিখন জিলাতে এটা বা ততোধিক মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ আছে। একে তথ্যৰ ওপৰত বিভিন্ন ন্যায়াধিকৰণে যদি ক্ষতিপূৰণৰ হিচাপ বেলেগ বেলেগ কৰে তেন্তে দাবীদাৰ, গোচৰৰ দুয়োটা পক্ষ, সাধাৰণ মানুহ বিভ্ৰান্ত হ'ব, বিচুৰ্তি খাব আৰু বিমোৰত পৰিব। যদিহে একেধৰণৰ তথ্যৰ ওপৰত ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণ কৰাত ন্যায়াধিকৰণসমূহৰ মাজত গুৰুত্বপূৰ্ণ পাৰ্থক্য দেখা যায়, তেন্তে ইয়াৰ ফলত ব্যৱস্থাটোৰ প্ৰতি অসন্তুষ্টি আৰু অনাস্থাৰ সৃষ্টি হ'ব।

**১৫.** আমি *ত্ৰিলোক চন্দ্ৰ* [৪] গোচৰত কৰা তলত দিয়া পৰ্যবেক্ষণসমূহৰ উল্লেখ কৰিব পাৰো: (এছ.চি.চি. পৃষ্ঠা ৩৬৯, দফা ১৫)

> "*১৫.* আমি 'ন্যায্য' ক্ষতিপূৰণৰ ধাৰ্য্য কৰা পদ্ধতিটো পুনৰ কোৰাটো প্ৰয়োজনীয় বুলি ভাবিলোঁ কাৰণ, শেহতীয়াকৈ আমি ন্যায়াধিকৰণ আৰু আদালতে দিয়া ৰায়ৰ পৰা লক্ষ্য কৰিছো যে যিটো নীতিৰ ওপৰত গুণক পদ্ধতি গঢ়ি তোলা হৈছিল, সেই নীতিৰ পৰা আঁতৰি গৈছে আৰু আকৌ এবাৰ ন্যায়াধিকৰণ/আদালতৰ নিজস্ব মতামতৰ ওপৰত ভিত্তি কৰি এক হাইব্ৰিড পদ্ধতিৰ উন্মেষ ঘটিছে, যাৰ ফলত ক্ষতিপূৰণ নিৰ্ধাৰণৰ ক্ষেত্ৰত অনিশ্চয়তা আৰু যুক্তিসংগত সামঞ্জস্যতাৰ অভাৱৰ সৃষ্টি হৈছে। এইটো উপলব্ধি কৰিব লাগিব যে ন্যায়াধিকৰণ/আদালতে দুৰ্ঘটনাৰ বলি হোৱা ব্যক্তিজনক প্ৰদানযোগ্য ক্ষতিপূৰণৰ উচিত পৰিমাণ নিৰ্ধাৰণ কৰিব লাগিব, যিটো সন্মুখীন হোৱা আঘাতৰ সমানুপাতিক হ'ব লাগিব।"

**১৬.** কেৱল ন্যায়াধিকৰণে ন্যায্য বুলি গণ্য কৰাৰ বাবেই প্ৰদান কৰা ক্ষতিপূৰণ "'ন্যায্য ক্ষতিপূৰণ" নহয়। উদাহৰণস্বৰূপে, যদি একে বা একেধৰণৰ তথ্যৰ ওপৰত (ধৰা হওঁক ৪০ বছৰীয়া মৃতকৰ বাৰ্ষিক আয় ৪৫,০০০ টকা আৰু তেওঁৰ জীৱিত পত্নী আৰু সন্তানক এৰি গৈছে), এটা ন্যায়াধিকৰণে ১০,০০,০০০ টকা, আন এটা ন্যায়াধিকৰণে ৫,০০,০০০ টকা, আৰু আন এটা ন্যায়াধিকৰণে ১,০০,০০০ টকা নিৰ্ধাৰণ কৰে, আৰু সকলোৱে বিশ্বাস কৰে যে সেই ধনৰাশি ন্যায্য, তেন্তে ক'ব নোৱাৰি যে প্ৰথম গোচৰত আৰু শেষৰ গোচৰত যি নিৰ্ধাৰণ কৰা হৈছে সেইবোৰত ন্যায্য ক্ষতিপূৰণ বুলি ক'ব নোৱাৰি। গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ আধাৰত দিয়া "ন্যায্য ক্ষতিপূৰণ" হৈছে ক্ষতিপূৰণ নিৰ্ধাৰণৰ সৈতে জড়িত সুনিৰ্ধাৰিত নীতিসমূহ প্ৰয়োগ কৰি অন্যায়ৰ ফলত হোৱা লোকচান পূৰণ কৰিবলৈ, যিমানদূৰলৈকে ধনে কৰিব পাৰে, পৰ্যাপ্ত ক্ষতিপূৰণ যিটো ন্যায্য আৰু ন্যায়সংগত। শ্ৰীবৃদ্ধি, উদাৰতাৰে বৃহৎ পৰিমাণৰ ধন প্ৰদান কৰা বা লাভৰ উৎস সৃষ্টি কৰাটো ইয়াৰ উদ্দেশ্য নহয়।

**১৭.** ক্ষতিপূৰণৰ মূল্যাংকনত যদিও কিছুমান উপকাল্পনিক বিবেচনা জড়িত হৈ থাকে, তথাপিও ই বস্তুনিষ্ঠ হ'ব লাগে। ন্যায় আৰু ন্যায্যতাৰ উৎপত্তি হয় ব্যৱহাৰৰ সমতা, বিচাৰৰ ক্ষেত্ৰত ধাৰাবাহিকতা আৰু পুংখানুপুংখতা, আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ ক্ষেত্ৰত ন্যায়পৰায়ণতা আৰু সামঞ্জস্যতাৰ পৰা। যদিও ক্ষতিপূৰণৰ মূল্যাংকনত গাণিতিক নিখুঁততা নাথাকিব পাৰে বা একেধৰণৰ ৰায় প্ৰদান কৰা সম্ভৱ নহয়, গোচৰসমূহৰ মাজত যদি একে বা একেধৰণৰ তথ্য উপলব্ধ, তেন্তে তেনে গোচৰসমূহত প্ৰদান কৰা ৰায়সমূহত ধাৰাবাহিকতা প্ৰতিফলিত হোৱাটো প্ৰয়োজনীয়। যেতিয়া উপাদান/ইনপুট একে হয় আৰু বিধি/আইনী নীতিসমূহ একে হয়, তেন্তে ন্যায্য ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিবলৈ বিচাৰ প্ৰক্ৰিয়াত ধাৰাবাহিকতা আৰু সামঞ্জস্যতাৰহে প্ৰয়োজন, ভিন্নমুখিতা বা খামখেয়ালী নহয়। *চুছাম্মা থমাছ* [৩] গোচৰত এই আদালতে কৈছিল: (এছ.চি.চি. পৃষ্ঠা ১৮৫, দফা ১৬)

> *"১৬. ... গণনাৰ সঠিক পদ্ধতি হ'ল গুণক পদ্ধতি। ব্যতিক্ৰমী আৰু অসাধাৰণ গোচৰৰ বাহিৰে যিকোনো ব্যতিক্ৰমে ক্ষতিপূৰণৰ মূল্যায়নৰ বাবে নীতিৰ অধাৰাবাহিকতা, সামঞ্জস্যতাৰ অভাৱ আৰু এক অনিশ্চয়তাৰ উপাদানৰ সৃষ্টি কৰিব।"*

**১৮.** মৃত্যুৰ ক্ষেত্ৰত ক্ষতিপূৰণৰ মূল্যায়নৰ বাবে দাবীদাৰসকলে মূলতঃ মাত্ৰ তিনিটা তথ্যহে প্ৰমাণ কৰিব লাগিব:

(ক) মৃতকৰ বয়স;

(খ) মৃতকৰ আয়; আৰু

(গ) নিৰ্ভৰশীল লোকৰ সংখ্যা।

নিৰ্ভৰশীলতা হেৰুওৱাৰ ক্ষেত্ৰত সিদ্ধান্তত উপনীত হ'বলৈ ন্যায়াধিকৰণে নিৰ্ধাৰণ কৰিবলগীয়া বিষয়সমূহ হ'ল-

(i) মৃতকৰ আয় নিৰ্ধাৰণৰ বাবে কৰিবলগীয়া সংযোজন/কৰ্তন;

(ii) মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ দিশত কৰ্তন; আৰু

(iii) মৃতকৰ বয়সৰ ভিত্তিত প্ৰয়োগ কৰিবলগীয়া গুণক।

যদি এই নিৰ্ণায়কবোৰৰ মানদণ্ড নিৰ্ধাৰণ (Standardize) কৰা হয়, সিদ্ধান্তত সামঞ্জস্যতা আৰু ধাৰাবাহিকতা থাকিব। বিশদ সাক্ষ্যৰ প্ৰয়োজনীয়তা কমিব। বীমা কোম্পানীৰ বাবেও পলম নোহোৱাকৈ দুৰ্ঘটনাৰ দাবী নিষ্পত্তি কৰিবলৈ সহজ হ'ব।

**১৯.** সামঞ্জস্যতা আৰু ধাৰাবাহিকতা পাবলৈ ন্যায়াধিকৰণসমূহক মৃত্যুৰ ক্ষেত্ৰত তলত দিয়া সুনিৰ্ধাৰিত পদক্ষেপসমূহৰ দ্বাৰা ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিব লাগে:

*পদক্ষেপ ১ (গুণ্য নিশ্চিতকৰণ)*

মৃতকৰ বাৰ্ষিক আয় নিৰ্ধাৰণ কৰিব লাগিব। উক্ত আয়ৰ পৰা মৃত ব্যক্তিয়ে ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ জৰিয়তে নিজৰ বাবে কিমান ধন খৰচ কৰিলেহেঁতেন তাৰ সন্দৰ্ভত এক কৰ্তন কৰিব লাগিব। বাকী ৰোৱাখিনিয়ে গুণ্য গঠন কৰে, যাক নিৰ্ভৰশীল পৰিয়াললৈ অনুদান বুলি গণ্য কৰা হয়।

*পদক্ষেপ ২ (গুণক নিশ্চিতকৰণ)*

মৃতকৰ বয়স আৰু সক্ৰিয় কৰ্মজীৱনৰ সময়সীমাৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত গুণক বাছনি কৰিব লাগে। ই দুৰ্ঘটনা নহ'লে তেওঁ কিমান বছৰ জীয়াই থাকিলহেঁতেন বা কাম কৰিলেহেঁতেন সেইটো নিশ্চিতকৰণ কৰাটো নুবুজায়। জীৱন আৰু অৰ্থনৈতিক কাৰকৰ কেইবাটাও অনিশ্চিত কাৰকৰ প্ৰতি লক্ষ্য ৰাখি উচ্চতম ন্যায়ালয়ে বয়সৰ সন্দৰ্ভত গুণকৰ এখন তালিকা চিনাক্ত কৰিছে। মৃতকৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি উক্ত তালিকাৰ পৰা গুণক বাছি ল'ব লাগে।

*পদক্ষেপ ৩ (প্ৰকৃত গণনা)*

পৰিয়ালটোলৈ বাৰ্ষিক অনুদান (গুণ্য)-ক যেতিয়া তেনে গুণকৰ দ্বাৰা পূৰণ কৰা হয়, ই পৰিয়ালটোৰ "নিৰ্ভৰশীলতাৰ ক্ষতি" প্ৰদান কৰে।

ইয়াৰ পিছত ৫০০০ টকাৰ পৰা ১০০০০ টকাৰ ভিতৰত গতানুগতিক ধনৰাশি ভূ-সম্পত্তিৰ ক্ষতি হিচাপে যোগ কৰিব পাৰি। যদি মৃতকে তেওঁৰ বিধৱা পত্নী এৰি থৈ যায়, তেনে ক্ষেত্ৰত ৫০০০ টকাৰ পৰা ১০০০০ টকাৰ ভিতৰত আন এটা গতানুগতিক ধন সাহচৰ্যৰ ক্ষতি শিতানত যোগ কৰিব

লাগে। কিন্তু মৃতকৰ আইনী উত্তৰাধিকাৰীসকলৰ হোৱা যন্ত্ৰণা, দুখ বা কষ্টৰ শিতানৰ অধীনত কোনো ধনৰাশি প্ৰদান কৰিব নালাগে।

অন্ত্যেষ্টিক্ৰিয়াৰ খৰচ, মৃতদেহৰ পৰিবহনৰ খৰচ (যদি আছে) আৰু মৃত্যুৰ আগতে মৃতকৰ কোনো চিকিৎসাৰ খৰচ (যদি আছে) তাকো সংযোগ কৰিব লাগে।

*প্ৰশ্ন (i) — ভৱিষ্যতৰ সম্ভাৱনাৰ বাবে আয়ত সংযোজন*

২০. সাধাৰণতে, আয়কৰ কৰ্ত্তন কৰাৰ পিছত মৃতকৰ প্ৰকৃত আয় ক্ষতিপূৰণ গণনাৰ প্ৰাৰম্ভিক পৰ্যায় হ'ব লাগে। প্ৰশ্নটো হ'ল মৃত্যুৰ সময়ত হোৱা প্ৰকৃত আয়ক আয় হিচাপে গণ্য কৰিব লাগে নে ভৱিষ্যতৰ সম্ভাৱনা লক্ষ্য কৰি কোনো সংযোজন কৰিব লাগে।

২১. *চুছাম্মা থমাছ* [৩] গোচৰত এই আদালতে ৰায় দিছিল যে জীৱন আৰু কৰ্মজীৱনত উন্নতিৰ ভৱিষ্যতৰ সম্ভাৱনাও ধনৰ হিচাপত উল্লেখ কৰিব লাগে যাতে গুণক (নিৰ্ভৰশীলসকলৰ বাবে বাৰ্ষিক অৱদান) বৃদ্ধি কৰিব পাৰি; আৰু ৰায় দিছিল যে যি ক্ষেত্ৰত মৃতকৰ এটা স্থিৰ চাকৰি আছিল, আদালতে ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখিব পাৰে আৰু মৃত্যুৰ সময়ত মৃতকৰ প্ৰকৃত আয় কিমান আছিল, একমাত্ৰ তাৰ ওপৰত ভিত্তি কৰি নিৰ্ভৰশীলতাৰ ক্ষতিৰ প্ৰাক্-কলন কৰাটো অযুক্তিকৰ হ'ব। সেই ক্ষেত্ৰত, মৃত্যুৰ সময়ত ৩৯ বছৰ বয়স হোৱা মৃতকৰ দৰমহা আছিল মাহে ১০৩২ টকা। ভৱিষ্যতৰ সম্ভাৱনাৰ সন্দৰ্ভত সাক্ষ্য/প্ৰমাণৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে মত প্ৰকাশ কৰিছিল যে ব্যক্তিগত জীৱন-যাপনৰ খৰচ কৰ্তন কৰাৰ পূৰ্বে মুঠ আয় হিচাপে ২০০০ টকাকৈ মাহিলী আয়ৰ উচ্চতৰ প্ৰাক্-কলন কৰিব পৰা যাব।

২২. *চুছাম্মা থমাছ* [৩] গোচৰৰ এই সিদ্ধান্ত *সৰলা দীক্ষিত বনাম বলৱন্ত যাদৱ* [৫] গোচৰত অনুসৰণ কৰা হৈছিল য'ত মৃত ব্যক্তিজনে প্ৰতিমাহে ১৫৪৩ টকাৰ মুঠ দৰমহা লাভ কৰিছিল। ভৱিষ্যতে পদোন্নতি আৰু বৃদ্ধিৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে ধৰি লৈছিল যে তেওঁ অৱসৰ লোৱাৰ সময়লৈকে তেওঁৰ উপাৰ্জন প্ৰায় দুগুণ হ'ব, ধৰা হওঁক ৩০০০ টকা। এই আদালতে, তেওঁৰ মৃত্যুৰ সময়ত প্ৰকৃত আয় আৰু তেওঁ স্বাভাৱিক জীৱন-যাপন কৰিলে কিমান ধন অৰ্জন কৰিলেহেঁতেন – তাৰ আধাৰত এক গড় আয়ৰ হিচাপ কৰিছিল আৰু মাহিলী আয় প্ৰতিমাহে ২২০০ টকা বুলি নিৰ্ধাৰণ কৰিছিল।

২৩. *আবাতি বেজবৰুৱা বনাম ভাৰতীয় ভূতাত্ত্বিক জৰীপ* [৬] গোচৰত দুৰ্ঘটনাৰ সময়ত বছৰি ৪২,০০০ টকা (মাহে ৩৫০০ টকা) প্ৰকৃত দৰমহাৰ আয়ৰ বিপৰীতে এই আদালতে মৃতকৰ (যাৰ বয়স ৪০ বছৰ আছিল) ভৱিষ্যতৰ সম্ভাৱনা আৰু কৰ্মজীৱনত উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি বছৰি ৪৫,০০০ টকা আয় বুলি ধৰি লৈছিল।

২৪. *চুছাম্মা থমাছ* [৩] গোচৰত এই আদালতে আয় প্ৰায় ১০০% বৃদ্ধি কৰিলে, *সৰলা দীক্ষিত* [৫] গোচৰত আয় মাত্ৰ ৫০% আৰু *আবাতি বেজবৰুৱা* [৬] গোচৰত আয় মাত্ৰ ৭% বৃদ্ধি কৰিলে। অনিৰ্ণেয় আৰু অনিশ্চয়তাৰ পৰিপ্ৰেক্ষিতত, ভৱিষ্যতৰ সম্ভাৱনাৰ দিশত মৃতকৰ প্ৰকৃত দৰমহাৰ সৈতে প্ৰকৃত দৰমহাৰ ৫০% যোগ কৰাটো প্ৰতিষ্ঠিত নীতি হিচাপে গ্ৰহণ কৰাটো অনুকূল, যি ক্ষেত্ৰত মৃতকৰ স্থায়ী চাকৰি আছিল আৰু বয়স ৪০ বছৰৰ তলৰ আছিল। (য'ত বাৰ্ষিক আয় কৰযোগ্য পৰিসৰৰ ভিতৰত থাকে, "প্ৰকৃত দৰমহা"-ক "কৰ কৰ্ত্তন কৰাৰ পিছত প্ৰকৃত দৰমহা" হিচাপে বুজিব লাগে)। মৃতকৰ বয়স ৪০-ৰ পৰা ৫০ বছৰ হ'লে সংযোজন মাত্ৰ ৩০%

হ'ব লাগে। মৃতকৰ বয়স ৫০ বছৰৰ অধিক হ'লে কোনো সংযোজন কৰিব নালাগে। যদিও সাক্ষ্যই বৃদ্ধিৰ শতাংশ বেলেগ হোৱাৰ ইংগিত দিব পাৰে, তথাপিও বিভিন্ন মান প্ৰয়োগ কৰা বা গণনাৰ বিভিন্ন পদ্ধতি গ্ৰহণ কৰাটো এৰি চলিবলৈ সংযোজনৰ মানদণ্ড নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয়। য'ত মৃতকজন স্বনিয়োজিত আছিল বা নিৰ্দিষ্ট/স্থায়ী দৰমহাত কৰ্মৰত আছিল (বাৰ্ষিক বৃদ্ধি আদিৰ ব্যৱস্থা নোহোৱাকৈ), সাধাৰণতে আদালতে কেৱল মৃত্যুৰ সময়ৰ প্ৰকৃত আয়হে গ্ৰহণ কৰিব। বিশেষ পৰিস্থিতিৰ সৈতে জড়িত বিৰল আৰু ব্যতিক্ৰমী গোচৰতহে ইয়াৰ পৰা আঁতৰি যাব লাগে।

*পুনৰ প্ৰশ্ন (ii) — ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে কৰ্তন*

**২৫.** আমি ইতিমধ্যে লক্ষ্য কৰিছো যে নিৰ্ভৰশীলসকললৈ যি অনুদান, সেইয়া হিচাপ কৰিবলৈ মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ তেওঁৰ আয়ৰ পৰা কৰ্তন কৰিব লাগে। মৃতকৰ প্ৰকৃত খৰচ দেখুৱাবলৈ কোনো সাক্ষ্য/প্ৰমাণ আগবঢ়োৱাৰ প্ৰয়োজন নাই। আচলতে, সেই ক্ষেত্ৰত যিকোনো সাক্ষ্য/প্ৰমাণ সম্পূৰ্ণৰূপে অপৰীক্ষণযোগ্য হ'ব আৰু অবিশ্বাসযোগ্য হোৱাৰ সম্ভাৱনা থাকিব। স্পষ্টভাৱে, দাবীদাৰসকলৰ এনে এক দাবী কৰাৰ প্ৰৱণতা থাকিব যে মৃত ব্যক্তিজন অতি মিতব্যয়ী আছিল আৰু তেওঁৰ কোনো ব্যয়বহুল অভ্যাস নাছিল আৰু কাৰ্যতঃ সমগ্ৰ আয় পৰিয়ালটোৰ বাবে খৰচ কৰিছিল। কিছুমান ক্ষেত্ৰত তেনেকুৱা হ'ব পাৰে। কোনো দাবীদাৰেই স্বীকাৰ নকৰে যে মৃত ব্যক্তিজন ধোঁৱা-খুলীয়া স্বভাৱৰ মানুহ আছিল, যদিও প্ৰকৃততেই তেওঁ এজন ধোঁৱা-খুলীয়া আছিল।

**২৬.** দাবী আবেদনত উত্তৰদাতাসকলৰ বাবেও এই প্ৰমাণ দাখিল কৰাটো অতি কঠিন যে মৃত ব্যক্তিজনে আয়ৰ যথেষ্ট অংশ নিজৰ বাবে ব্যয় কৰিছিল বা তেওঁ আয়ৰ এটা সৰু অংশহে পৰিয়ালৰ বাবে অৱদান আগবঢ়াইছিল। সেয়েহে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ শিতানৰ অধীনত কৰ্তন কৰিবলগীয়া কৰ্তনৰ মানদণ্ড নিৰ্ধাৰণ কৰাটো প্ৰয়োজনীয় হৈ পৰিল। ইয়াৰ ফলত মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ ফালে, মৃতকজন বিবাহিত হ'লে আয়ৰ এক-তৃতীয়াংশ আৰু মৃতকজন অবিবাহিত হ'লে আয়ৰ আধা (৫০%) কৰ্তন কৰাৰ প্ৰথা আৰম্ভ হয়। অভিজ্ঞতা আৰু যুক্তিৰ আধাৰত ব্যৱহাৰৰ সুবিধাৰ বাবেই এই প্ৰথাৰ বিকাশ ঘটিছিল। আচলতে, মটৰ গাড়ী আইন, ১৯৮৮-ৰ ধাৰা ১৬৩-এ (চমুকৈ "এম.ভি. আইন")-ৰ অধীনত দাবীৰ ক্ষেত্ৰত, এক তৃতীয়াংশ কৰ্তনে আইনখনৰ দ্বিতীয় অনুসূচীৰ অধীনত বিধিগত স্বীকৃতি লাভ কৰিছিল। কিন্তু, কৰ্তনৰ এনে শতাংশ কোনো অনমনীয় নিয়ম নহয় আৰু ই কেৱল এটা নিৰ্দেশনাহে আগবঢ়ায়।

**২৭.** *চুছাম্মা থমাছ* [৩] গোচৰত দেখা গৈছিল যে *প্ৰমাণৰ অভাৱত* মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ বাবদ মুঠ আয়ৰ এক-তৃতীয়াংশ কৰ্তন কৰাটো আৰু বাকীখিনিক পৰিয়ালৰ সদস্যসকল/নিৰ্ভৰশীল লোকসকলৰ ওপৰত ব্যয় হোৱাৰ সম্ভাৱনা থকা ধন হিচাপে গণ্য কৰাটো অস্বাভাৱিক নহয়।

**২৮.** *ইউ.পি. এছ.আৰ.টি.চি. বনাম ত্ৰিলোক চন্দ্ৰ* [৪] গোচৰত, এই আদালতে ৰায় দিছিল যে যদি মৃতকৰ পৰিয়ালত নিৰ্ভৰশীল লোকৰ সংখ্যা বৃহৎ হয়, তেন্তে পৰিয়াললৈ অৱদানৰ সন্দৰ্ভত নিৰ্দিষ্ট প্ৰমাণৰ অভাৱত, আদালতে মৃতকৰ পৰিয়াললৈ যি অৱদান, সেই সিদ্ধান্তত উপনীত হোৱাৰ বাবে একক পদ্ধতি গ্ৰহণ কৰিব পাৰে। এই পদ্ধতিৰে প্ৰতিজন প্ৰাপ্তবয়স্কক দুটা একক আৰু প্ৰতিজন নাবালকক এটা একক আবণ্টন

দিয়া হয়, আৰু মুঠ এককৰ সংখ্যা নিৰ্ধাৰণ কৰা হয়। তাৰ পিছত আয়ক মুঠ এককৰ সংখ্যাৰে ভাগ কৰা হয়। ভাগফলটো দুইৰে পূৰণ কৰিলে মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচ পোৱা যায়। এই আদালতে তলত উল্লেখ কৰা উদাহৰণ দিছিল: (*ত্ৰিলোক চন্দ্ৰ গোচৰ* [8], এছ.চি.চি. পৃষ্ঠা ৩৭০, দফা ১৫)

> "*১৫.* ...X (এক্স), পুৰুষ, বয়স প্ৰায় ৩৫ বছৰ, দুৰ্ঘটনাত মৃত্যু হয়। তেওঁ বিধৱা পত্নী আৰু ৩-টা নাবালক সন্তান এৰি থৈ যায়। তেওঁৰ মাহিলী আয় আছিল ৩৫০০ টকা। প্ৰথমে প্ৰতিমাহে X-ৰ ওপৰত খৰচ কৰা ধনৰাশি কৰ্তন কৰক। যি ক্ষেত্ৰত কোনো নিৰ্দিষ্ট প্ৰমাণ নাছিল, তেনে ক্ষেত্ৰত এতিয়ালৈকে গ্ৰহণ কৰা মোটামুটি আৰু সহজ পদ্ধতিটো আছিল পৰিয়ালটোক এককত বিভক্ত কৰা, এজন প্ৰাপ্তবয়স্কৰ বাবে দুটা একক আৰু এজন নাবালকৰ বাবে এটা একক লোৱা। এইদৰে X আৰু তেওঁৰ পত্নীয়ে ২ + ২ =৪ একক আৰু প্ৰতিটো নাবালকে এটাকৈ একক অৰ্থাৎ মুঠতে ৩ একক,এইদৰে সৰ্বমুঠ ৭ একক গঠন কৰে। এইদৰে প্ৰতি এককৰ অংশটো ৩৫০০ টকা ÷ ৭ = ৫০০ টকা প্ৰতিমাহৰ হিচাপত নিৰ্ধাৰিত হয়। এইদৰে ধৰি ল'ব পাৰি যে এক্স X-ৰ বাবে ১০০০ টকা খৰচ হৈছিল। যিহেতু তেওঁ এজন কৰ্মৰত সদস্য আছিল, গতিকে তেওঁৰ পৰিবহণ আৰু প্ৰত্যক্ষভাৱে কৰা ব্যক্তিগত ব্যয় (Out-of-Pocket)-ৰ সম্পৰ্কে অনুমান কৰিবলগীয়া হয়। বৰ্তমানৰ ক্ষেত্ৰত আমি প্ৰত্যক্ষভাৱে কৰা ব্যক্তিগত ব্যয় ২৫০ টকা বুলি প্ৰাক্-কলন কৰিছোঁ। এইদৰে মৃত X-ৰ ওপৰত ব্যয় কৰা ধনৰাশি প্ৰতিমাহে ১২৫০ টকা নিৰ্ধাৰিত হয় আৰু প্ৰতিমাহে বাকী ৰয় ৩৫০০ টকা — ১২৫০ = ২২৫০ টকা। এই পৰিমাণ X-ৰ নিৰ্ভৰশীলসকলৰ মাহিলী আৰ্থিক ক্ষতি হিচাপে ধৰি ল'ব পাৰি।"

**২৯.** *ফকীৰাপ্পা বনাম কৰ্ণাটক চিমেণ্ট পাইপ ফেক্টৰীৰ* [7] গোচৰত উচ্চ ন্যায়ালয়ে কৰা মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰা ৫০% কৰ্তনৰ উপযুক্ততা বিবেচনা কৰি এই আদালতে লক্ষ্য কৰিছিল: (এছ.চি.চি. পৃষ্ঠা ৪৭৫, দফা ৭)

> "*৭.* ব্যক্তিগত ব্যয়ৰ বাবে কৰ্তনৰ শতাংশ কিমান হ'ব সেয়া কোনো কঠিন নিয়ম বা সাৰ্বজনীনভাৱে প্ৰয়োগ হোৱা সূত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব নোৱাৰে। এয়া প্ৰতিটো গোচৰৰ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰিব। নিঃসন্দেহে মৃত ব্যক্তিজন আছিল অবিবাহিত। বীমা কোম্পানীটোৰ স্থিতি হ'ল যে বিয়াৰ পিছত পিতৃ-মাতৃৰ প্ৰতি অৱদান কম হ'লহেঁতেন আৰু সেয়েহে সামগ্ৰিকভাৱে চালে ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়ে কৰ্তন নিৰ্ধাৰণ কৰাটো ন্যায্য আছিল।"

গোচৰটোৰ বিশেষ বৈশিষ্ট্যসমূহৰ প্ৰতি লক্ষ্য ৰাখি এই আদালতে অৱশ্যে ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰিবলগীয়া কৰ্তন আয়ৰ এক-তৃতীয়াংশত সীমাবদ্ধ ৰাখিছিল।

**৩০.** যদিও কিছুমান ক্ষেত্ৰত ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰিবলগীয়া কৰ্তন *ত্ৰিলোক চন্দ্ৰ* [4] গোচৰত উল্লেখ কৰা এককৰ ভিত্তিত গণনা কৰা হয়, সাধাৰণ পদ্ধতি হ'ল মান নিৰ্ধাৰিত কৰ্তন প্ৰয়োগ কৰা। এই আদালতৰ পৰৱৰ্তী কেইবাটাও সিদ্ধান্ত বিবেচনা কৰি আমি মত প্ৰকাশ কৰিছো যে যদি মৃতকৰ বিবাহ হৈছিল আৰু নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ সংখ্যা ২-ৰ পৰা ৩, তেন্তে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ দিশত কৰ্তন এক-তৃতীয়াংশ (১/৩ ভাগ) হ'ব লাগে, এক-চতুৰ্থাংশ (১/৪ ভাগ) যদি নিৰ্ভৰশীল

পৰিয়ালৰ সদস্যৰ সংখ্যা ৪-ৰ পৰা ৬, আৰু এক-পঞ্চমাংশ (১/৫ ভাগ) যদি নিৰ্ভৰশীল পৰিয়ালৰ সদস্যৰ সংখ্যা ছয়তকৈ অধিক।

**৩১.** যদি মৃত ব্যক্তিজন অবিবাহিত আছিল আৰু দাবীদাৰসকল পিতৃ-মাতৃ, তেনে ক্ষেত্ৰত কৰ্তনে অন্য এক নীতি অনুসৰণ কৰে। অবিবাহিতসকলৰ ক্ষেত্ৰত সাধাৰণতে ৫০% ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ হিচাপে কৰ্তন কৰা হয়, কাৰণ ধাৰণা কৰা হয় যে এজন অবিবাহিত ব্যক্তিয়ে নিজৰ বাবে অধিক খৰচ কৰাৰ প্ৰৱণতা থাকে। অন্যথা কম সময়ৰ ভিতৰতে তেওঁৰ বিয়া হোৱাৰ সম্ভাৱনাও আছে, যাৰ ফলত পিতৃ-মাতৃ আৰু ভাই-ভনীৰ প্ৰতি অৱদান যথেষ্টখিনি কৰ্তন হোৱাৰ সম্ভাৱনা থাকে। তদুপৰি, পিতৃৰ নিজৰ আয় থকাৰ সম্ভাৱনা থাকে আৰু যদিহে সেই সম্ভাৱনাৰ বিপৰীতে কোনো প্ৰমাণ নথাকে, তেন্তে তেওঁক নিৰ্ভৰশীল হিচাপে গণ্য কৰা নহ'ব আৰু কেৱল মাতৃক নিৰ্ভৰশীল হিচাপে গণ্য কৰা হ'ব। কোনো বিপৰীত প্ৰমাণৰ অভাৱত ভাই-ভনীক নিৰ্ভৰশীল বুলি গণ্য কৰা নহ'ব, কাৰণ তেওঁলোক হয় স্বাধীন আৰু উপাৰ্জনকাৰী হ'ব, নহয় বিবাহিত হ'ব, নহয় পিতৃৰ ওপৰত নিৰ্ভৰশীল হ'ব।

**৩২.** এইদৰে মৃতকৰ পিতৃ-মাতৃ আৰু ভাই-ভনী থাকিলেও কেৱল মাতৃক নিৰ্ভৰশীল বুলি গণ্য কৰা হ'ব, আৰু ৫০% অবিবাহিতজনৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ আৰু ৫০% পৰিয়াললৈ অৱদান হিচাপে গণ্য কৰা হ'ব। কিন্তু যি ক্ষেত্ৰত অবিবাহিতজনৰ পৰিয়াল বৃহৎ আৰু মৃতকৰ আয়ৰ ওপৰত নিৰ্ভৰশীল, যেনেকৈ এটা গোচৰত য'ত তেওঁৰ বিধৱা মাতৃ আৰু বৃহৎ সংখ্যক সৰু উপাৰ্জন নথকা ভগ্নী বা ভাতৃ থাকে, তেওঁৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ এক-তৃতীয়াংশতে সীমাবদ্ধ কৰিব পাৰি আৰু পৰিয়াললৈ অৱদান দুই তৃতীয়াংশ হিচাপে লোৱা হ'ব।

*পুনৰ প্ৰশ্ন (iii) — গুণকৰ বাছনি*

**৩৩.** *চুছাম্মা থমাছ* [৩] গোচৰত এই আদালতে গুণকৰ সৈতে জড়িত নীতিটো এইদৰে উল্লেখ কৰিছিল: (এছ.চি.চি. পৃষ্ঠা ১৮৫-৮৬, দফা ১৭)

> "*১৭.* গুণকে বছৰৰ ক্ৰয়ৰ সংখ্যাক প্ৰতিনিধিত্ব কৰে য'ত নিৰ্ভৰশীলতাৰ ক্ষতি মূলধনলৈ ৰূপান্তৰিত কৰা হয়। উদাহৰণস্বৰূপে, এনে এটা গোচৰ লওঁক য'ত বাৰ্ষিক নিৰ্ভৰশীলতাৰ ক্ষতি ১০,০০০ টকা। যদি ১,০০,০০০ টকা ১০% বাৰ্ষিক সুতৰ হাৰত বিনিয়োগ কৰা হয়, তেন্তে সুতেই চিৰদিনৰ বাবে নিৰ্ভৰশীলতাৰ যত্ন লোৱাৰ বাবে পৰ্যাপ্ত হ'ব। এই ক্ষেত্ৰত গুণকটো ১০ হিচাপে নিৰ্ধাৰিত হয়। যদি সুতৰ হাৰ বছৰি ৫% হয় আৰু ১০% নহয়, তেন্তে বাৰ্ষিক নিৰ্ভৰশীলতাৰ ক্ষতি ১০,০০০ টকা হ'বলৈ প্ৰয়োজনীয় গুণকটো হ'ব ২০। তেতিয়া গুণক অৰ্থাৎ বছৰৰ ক্ৰয়ৰ সংখ্যা ২০-য়ে বাৰ্ষিক নিৰ্ভৰশীলতা চিৰদিনৰ বাবে উৎপন্ন কৰিব। তেতিয়া গুণকক হ্ৰাস কৰাৰ ক্ষেত্ৰত ভৱিষ্যতে হ'ব পৰা কিছুমান পৰিস্থিতিগত সাল-সলনি অথবা অনিশ্চয়তাৰ বিষয়ে বিবেচনা কৰিব লাগিব, উদাহৰণস্বৰূপে কোনো নিৰ্ভৰশীল ব্যক্তিয়ে তাৎক্ষণিকভাবে এবাৰতে ক্ষতিপূৰণ পাব পাৰে বা কোনো ক্ষেত্ৰত নিৰ্ভৰশীলতাৰ সময়সীমা কম/চুটি হ'ব পাৰে। তদুপৰি নিৰ্ভৰশীলতা বৰ্তি থকা সময়সীমাত মূলধনৰ খৰচৰ বিষয়ে বিবেচনা কৰিব লাগিব। সাধাৰণতে ইংলেণ্ডৰ আদালতত কাৰ্যকৰী গুণক

সর্বোচ্চ হিচাপে ১৬-তকৈ বেছি হোৱাটো খুব কমেই দেখা যায়। মৃত ব্যক্তিজনৰ বয়স (বা নিৰ্ভৰশীলসকলৰ বয়স, যিটো বেছি) বৃদ্ধি হোৱাৰ লগে লগে সেই অনুসৰি এইটো কমি আহিব।

**৩৪.** ১৯৮৮ চনৰ মটৰ গাড়ী আইনখন ১৯৯৪ চনৰ ৫৪ নং আইনৰ দ্বাৰা সংশোধন কৰা হয়, অন্যান্য বিষয়ৰ লগতে ১৬৩-এ ধাৰা আৰু ১৪-১১-১৯৯৪-ৰ পৰা কাৰ্যকৰী হোৱাকৈ দ্বিতীয় অনুসূচী সন্নিবিষ্ট কৰা হয়। এম.ভি. আইনৰ ১৬৩-এ ধাৰাত গাঁথনিগত সূত্ৰৰ ভিত্তিত ক্ষতিপূৰণ প্ৰদানৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা আছে, যিটো আইনখনৰ দ্বিতীয় অনুসূচীত উল্লেখ কৰা হৈছে। দ্বিতীয় অনুসূচীত মৃতকৰ বয়স আৰু আয়ৰ ভিত্তিত প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা এখন তালিকা আছে। ইয়াত ৩০০০ টকাৰ পৰা ৪০,০০০ টকাৰ বাৰ্ষিক আয়ৰ পৰিসৰৰ ভিত্তিত প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ নিৰ্দিষ্ট কৰা হৈছে। ইয়াত মৃতকৰ বাৰ্ষিক আয় ৪০,০০০ টকাতকৈ অধিক হ'লে ক্ষতিপূৰণৰ পৰিমাণ নিৰ্দিষ্ট কৰা হোৱা নাই। কিন্তু ই মৃতকৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োগ কৰিবলগীয়া গুণক প্ৰদান কৰে। তালিকাখন ১৫ গুণনীয়কেৰে আৰম্ভ হয়, ১৮ লৈ যায়, আৰু তাৰ পিছত ক্ৰমাগতভাৱে ৫ লৈ নামি আহে। ইয়াৰ উপৰিও ই মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ কাৰণে এক-তৃতীয়াংশ হিচাপত মানদণ্ড নিৰ্ধাৰিত কৰ্তন প্ৰদান কৰে। গতিকে যদি আবেদন আইনৰ ১৬৩-এ ধাৰাত কৰা হয়, তেনে ক্ষেত্ৰত ক্ষতিপূৰণৰ হিচাপ গাঁথনিগত সূত্ৰৰ ভিত্তিত কৰা সম্ভৱ, আনকি য'ত ক্ষতিপূৰণ মৃতকৰ বাৰ্ষিক আয়ৰ সন্দৰ্ভত নিৰ্দিষ্ট কৰা হোৱা নাই, বা ৪০,০০০ টকাতকৈ অধিক হয়, সূত্ৰটো প্ৰয়োগ কৰিলে: (২/৩ × AI × M), অৰ্থাৎ বাৰ্ষিক আয়ৰ দুই তৃতীয়াংশক মৃতকৰ বয়সৰ লগত প্ৰযোজ্য গুণকেৰে পূৰণ কৰিলে ক্ষতিপূৰণ পোৱা যাব। যেতিয়া দাবীটো এম.ভি. আইনৰ ধাৰা ১৬৩-এ-ৰ অধীনত থাকে তেতিয়া ট'ৰ্ট আইনত উল্লেখিত দায়বদ্ধতাৰ কেইবাটাও নীতি বাদ দিয়া হয়।

**৩৫.** দ্বিতীয় অনুসূচীৰ তালিকাত দিয়া গুণক স্কেলত (মাপনী) অৱশ্যে অমিল/ভুল আছে। ই ১৮ ৰ অধিক গুণক প্ৰযোজ্য হোৱা গোচৰত কম ক্ষতিপূৰণ আৰু ১৫, ১৬ বা ১৭ ৰ কম গুণক প্ৰযোজ্য হোৱা গোচৰৰ ক্ষেত্ৰত বৃহৎ ক্ষতিপূৰণৰ নিৰ্দেশনা দিয়ে। তালিকাত উল্লেখ কৰা ক্ষতিপূৰণৰ পৰিমাণৰ পৰা অনুমান কৰিব পাৰি যে অনুসূচীত এটা কেৰাণীৰ দ্বাৰা হোৱা ভুল সোমাই পৰিছে আৰু "গুণক" সংখ্যাবোৰ ভুলকৈ ২০, ১৯, ১৮, ১৭, ১৬, ১৫, ১৪, ১২, ১০, ৮, ৬ আৰু ৫-ৰ পৰিৱৰ্তে ১৫, ১৬, ১৭, ১৮, ১৭, ১৬, ১৫, ১৩, ১১, ৮, ৫ আৰু ৫ বুলি মুদ্ৰিত (Type) হৈছে।

**৩৬.** আন এটা লক্ষণীয় বিসঙ্গতি হ'ল, উপাৰ্জন নকৰা ব্যক্তিৰ কাল্পনিক নূন্যতম আয় বছৰি ১৫,০০০ টকা হিচাপে নিৰ্ধাৰণ কৰি, বাৰ্ষিক আয় ৩০০০ টকাৰ পৰা ১২,০০০ টকাৰ ভিতৰত হোৱা গোচৰৰ ক্ষেত্ৰতো প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণ নিৰ্ধাৰণ কৰা হৈছে। ফলস্বৰূপে এম.ভি. আইনৰ ১৬৩-এ ধাৰা অনুসৰি আবেদনৰ ক্ষেত্ৰত এক বিসংগতিপূৰ্ণ অৱস্থাৰ সৃষ্টি হয়, কিয়নো ইয়াৰ ফলত কোনো এজন নিষ্কৰ্মা আৰু উপাৰ্জনহীন মৃত ব্যক্তিয়ে সৎভাৱে বছৰি ৩০০০-ৰ পৰা ১২,০০০ টকাৰ ভিতৰত ধন উপাৰ্জন কৰা এজন মৃতকতকৈ  অধিক ক্ষতিপূৰণ পাব। যি নহওঁক, আমি এই প্ৰসংগৰ পৰা আঁতৰি আহিলোঁ।

**৩৭.** এম.ভি. আইনৰ ধাৰা ১৬৩-এ-ৰ অধীনত কৰা দাবী আৰু এম.ভি. আইনৰ ধাৰা ১৬৬-ৰ অধীনত দাবীৰ মাজত দায়বদ্ধতা আৰু ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ণয়ৰ সৈতে জড়িত নীতিসমূহৰ পাৰ্থক্য আছে। (*অৰিয়েণ্টেল ইনশ্বুৰেন্স কোম্পানী লিমিটেড বনাম মীনা ভাৰিয়াল* [৮] চাওঁক।) ধাৰা ১৬৩-এ আৰু দ্বিতীয়

অনুসূচীটো ধাৰা ১৬৬-ৰ অধীনতৰ আবেদনত ক্ষতিপূৰণ নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। *ত্ৰিলোক চন্দ্ৰ* [৪] গোচৰত এই আদালতে *চুছাম্মা থমাছ* [৩] -ত উল্লেখ কৰা নীতিসমূহ পুনৰবাৰ উল্লেখ কৰাৰ পিছত অৱশ্যে ৰায় দিছিল যে এম.ভি. আইনৰ ধাৰা ১৬৬-ৰ অধীনত থকা গোচৰতো, ধাৰা ১৬৩-এ আৰু দ্বিতীয় অনুসূচীৰ অন্তৰ্নিহিত নীতি অনুসৰণ কৰি, কাৰ্য্যকৰী (সৰ্বোচ্চ) গুণক ১৮-লৈ বৃদ্ধি কৰিব লাগে (*চুছাম্মা থমাছ* [৩] গোচৰত উল্লেখ কৰা ১৬-ৰ পৰিৱৰ্তে)।

৩৮. এই আদালতে *ত্ৰিলোক চন্দ্ৰ* [৪] গোচৰত উপস্থাপন কৰিছিল: (এছ.চি.চি. পৃষ্ঠা ৩৭১, দফা ১৭-১৮)

"*১৭. ...* ধাৰা ১৬৩-এ-ৰ আৰম্ভণিতে এটা নন-অবষ্টেণ্ট দফা (অ-অবষ্টেণ্ট দফাৰ বিধান অন্য বিধানৰ পৰা স্বাধীন, আনকি অন্য বিধানসমূহ ইয়াৰ বিপৰীত হ'লেও) আছে আৰু দ্বিতীয় অনুসূচীত উল্লেখ কৰা ধৰণে, গোচৰটো অনুসৰি, মৃত বা আহত ব্যক্তিৰ আইনী প্ৰতিনিধিসকলক ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এতিয়া যদি আমি দ্বিতীয় অনুসূচীলৈ চাওঁ, তেন্তে আমি প্ৰাণঘাতক দুৰ্ঘটনাৰ পৰা উদ্ভৱ হোৱা তৃতীয় পক্ষৰ দুৰ্ঘটনা আঘাতৰ দাবীৰ ক্ষতিপূৰণৰ গণনাৰ ধৰণ নিৰ্ধাৰণ কৰা এখন তালিকা পাওঁ। প্ৰথম স্তম্ভত দুৰ্ঘটনাগ্ৰস্তসকলৰ বয়সৰ গোট, দ্বিতীয় স্তম্ভত গুণক আৰু পৰৱৰ্তী আনুভূমিক সংখ্যাই মৃত ভুক্তভোগীৰ উত্তৰাধিকাৰীসকলক প্ৰদান কৰিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ হাজাৰত সূচায়। এই তালিকা অনুসৰি ভুক্তভোগীজন যিটো বয়সৰ গোটৰ অন্তৰ্গত আছিল তাৰ ওপৰত নিৰ্ভৰ কৰি গুণক ৫-ৰপৰা ১৮-লৈকে ভিন্ন হয়। এইদৰে এই অনুসূচীৰ অধীনত সৰ্বোচ্চ গুণক ১৮-লৈকে হ'ব পাৰে, *চুছাম্মা থমাছ* [৩] গোচৰত ৰায় দিয়াৰ দৰে ১৬-লৈকে নহয়।

*১৮. ...*ইয়াৰ উপৰিও গুণক নিৰ্বাচন সকলো ক্ষেত্ৰতে কেৱল মৃতকৰ বয়সৰ ওপৰত নিৰ্ভৰশীল হব নোৱাৰে। উদাহৰণস্বৰূপে, যদি মৃত ব্যক্তিজন এজন অবিবাহিত ব্যক্তি আছিল আৰু তেওঁ ৪৫ বছৰ বয়সত মৃত্যুবৰণ কৰে আৰু তেওঁৰ ওপৰত নিৰ্ভৰশীল তেওঁৰ পিতৃ-মাতৃ হয়, তেন্তে গুণক বাছনি কৰাত পিতৃ-মাতৃৰ বয়সো প্ৰাসংগিক হ'ব। ...আমি যিটো কথাত গুৰুত্ব দিয়াটো বিচাৰো সেয়া হ'ল যে গুণকটো ১৮ বছৰৰ ক্ৰয় কাৰকতকৈ অধিক হ'ব নোৱাৰে। সাধাৰণতে ১৬-তকৈ অধিক হ'ব নালাগে বুলি দিয়া পূৰ্বৰ ৰায়ৰ ই হৈছে এক পৰিবৰ্ধন।"

৩৯. *নিউ ইণ্ডিয়া এশুৰেন্স কোম্পানী লিমিটেড বনাম চাৰ্লি* [৯] গোচৰত এই আদালতে লক্ষ্য কৰিছিল যে এম.ভি. আইনৰ ধাৰা ১৬৬-ৰ অধীনত দাবীৰ ক্ষেত্ৰত প্ৰযোজ্য সৰ্বোচ্চ গুণক আছিল ১৮ আৰু উক্ত গুণকটো ২১-ৰ পৰা ২৫ বছৰ বয়সৰ গোটত প্ৰয়োগ কৰিব লাগে (সাধাৰণ উৎপাদনশীল বছৰৰ আৰম্ভণি) আৰু সৰ্বনিম্ন বহুগুণক হ'ব ৬০-ৰ পৰা ৭০ বছৰ বয়সৰ ব্যক্তিৰ ক্ষেত্ৰত (সাধাৰণ অৱসৰৰ বয়স)। এই কথা পুনৰবাৰ উল্লেখ কৰা হৈছে *টি.এন. ৰাজ্যিক পৰিবহণ নিগম লিমিটেড বনাম এছ. ৰাজাপ্ৰিয়া* [১০] আৰু *ইউ.পি. এছ.আৰ.টি.চি. বনাম কৃষ্ণ বালা* [১১] গোচৰত।

৪০. *চুছাম্মা থমাছ* [৩], *ত্ৰিলোক চন্দ্ৰ* [৪] আৰু *চাৰ্লি* [৯] গোচৰসমূহত উল্লেখ কৰা গুণকসমূহ (এম.ভি. আইনৰ ধাৰা ১৬৬-ৰ অধীনত দাবীৰ বাবে) এম.ভি. আইনৰ ধাৰা ১৬৩-এ-ৰ অধীনত দাবীৰ বাবে দ্বিতীয় অনুসূচীত উল্লেখ কৰা গুণকৰ সৈতে পাৰ্শ্ব অৱস্থানত তলত দিয়া হৈছে (৫০ বছৰৰ পিছত যথাযথ অধঃক্ৰমেৰে):

| *মৃতকৰ বয়স* | *চুছাম্মা থমাছ গোচৰত পৰিকল্পনা কৰা অনুসৰি গুণকৰ স্কেল* | *ত্ৰিলোক চন্দ্ৰ গোচৰত গ্ৰহণ কৰা অনুসৰি গুণকৰ স্কেল* | ***চাৰ্লি গোচৰত স্পষ্ট কৰা অনুসৰি ত্ৰিলোক চন্দ্ৰত গুণকৰ স্কেল*** | *এম.ভি. আইনৰ দ্বিতীয় অনুসূচীৰ তালিকাৰ দ্বিতীয় স্তম্ভত নিৰ্দিষ্ট কৰা গুণক* | *এম.ভি. আইনৰ দ্বিতীয় অনুসূচীত প্ৰকৃততে ব্যৱহৃত গুণক (ক্ষতিপূৰণৰ পৰিমাণৰ পৰা দেখা পোৱাৰ দৰে)* |
|---|---|---|---|---|---|
| (১) | (২) | (৩) | (৪) | (৫) | (৬) |
| ১৫ বছৰলৈ | - | - | - | ১৫ | ২০ |
| ১৫ৰ পৰা ২০ বছৰলৈ | ১৬ | ১৮ | **১৮** | ১৬ | ১৯ |
| ২১ৰ পৰা ২৫ বছৰলৈ | ১৫ | ১৭ | **১৮** | ১৭ | ১৮ |
| ২৬ৰ পৰা ৩০ বছৰলৈ | ১৪ | ১৬ | **১৭** | ১৮ | ১৭ |
| ৩১ৰ পৰা ৩৫ বছৰলৈ | ১৩ | ১৫ | **১৬** | ১৭ | ১৬ |
| ৩৬ৰ পৰা ৪০ বছৰলৈ | ১২ | ১৪ | **১৫** | ১৬ | ১৫ |
| ৪১ৰ পৰা ৪৫ বছৰলৈ | ১১ | ১৩ | **১৪** | ১৫ | ১৪ |
| ৪৬ৰ পৰা ৫০ বছৰলৈ | ১০ | ১২ | **১৩** | ১৩ | ১২ |
| ৫১ৰ পৰা ৫৫ বছৰলৈ | ৯ | ১১ | **১১** | ১১ | ১০ |
| ৫৬ৰ পৰা ৬০ বছৰলৈ | ৮ | ১০ | **০৯** | ৮ | ৮ |
| ৬১ৰ পৰা ৬৫ বছৰলৈ | ৬ | ০৮ | **০৭** | ৫ | ৬ |
| ৬৫ বছৰৰ ওপৰত | ৫ | ০৫ | **০৫** | ৫ | ৫ |

**৪১.** ন্যায়াধিকৰণ/আদালতে বিভিন্ন কাৰ্যকৰী গুণক গ্ৰহণ আৰু প্ৰয়োগ কৰে। কিছুমানে *চুছাম্মা থমাছ* [৩] গোচৰত উল্লেখ কৰা গুণক অনুসৰণ কৰে [ওপৰৰ তালিকাৰ স্তম্ভ (২)-ত উল্লেখ কৰা হৈছে]; কিছুমানে *ত্ৰিলোক চন্দ্ৰ* [৪] গোচৰত উল্লেখ কৰা গুণক অনুসৰণ কৰে, [ওপৰৰ তালিকাৰ স্তম্ভ (৩)-ত উল্লেখ কৰা হৈছে]; কিছুমানে *চাৰ্লিৰ* [৯] গোচৰত উল্লেখ কৰা গুণক অনুসৰণ কৰে [ওপৰৰ তালিকাৰ স্তম্ভ (৪)-ত উল্লেখ কৰা হৈছে]; বহুতে এম.ভি. আইনৰ দ্বিতীয় অনুসূচীত থকা তালিকাৰ দ্বিতীয় স্তম্ভত দিয়া গুণক অনুসৰণ কৰে [ওপৰৰ তালিকাৰ স্তম্ভ (৫)-ত উদ্ধৃত কৰা হৈছে]; আৰু কিছুমানে ক্ষতিপূৰণৰ পৰিমাণ গণনা কৰাৰ সময়ত দ্বিতীয় অনুসূচীত প্ৰকৃততে গ্ৰহণ কৰা গুণক অনুসৰণ কৰে [ওপৰৰ তালিকাৰ স্তম্ভ (৬)ত উল্লেখ কৰা হৈছে]। উদাহৰণস্বৰূপে, যদি মৃতকৰ বয়স ৩৮ বছৰ হয়, তেন্তে *চুছাম্মা থমাছ গোচৰৰ* [৩] মতে গুণকটো হ'ব ১২, *ত্ৰিলোক চন্দ্ৰ গোচৰৰ* [৪] মতে ১৪, *চাৰ্লি গোচৰৰ* [৯] মতে ১৫, বা এম.ভি. আইনৰ দ্বিতীয় অনুসূচীৰ স্তম্ভ (২)-ত দিয়া গুণক অনুসৰি ১৬ বা এম.ভি. আইনখনৰ দ্বিতীয় অনুসূচীত প্ৰকৃততে গ্ৰহণ কৰা গুণক অনুসৰি হ'ব ১৫। কিছুমান ন্যায়াধিকৰণে এই গোচৰত কোৱাৰ দৰে অৱসৰৰ বয়সৰ প্ৰসংগত সেৱাৰ বাকী থকা বছৰবোৰ লৈ ২২ গুণক প্ৰয়োগ কৰে। এই ধৰণৰ অধাৰাবাহিকতাৰ পৰা আঁতৰি থকাটো প্ৰয়োজনীয়। এম.ভি. আইনৰ ১৬৬

ধাৰাৰ অন্তৰ্গত গোচৰৰ সৈতে আমি জড়িত, ধাৰা ১৬৩-এ-ৰ অন্তৰ্গত গোচৰৰ সৈতে নহয়। এম.ভি. আইনৰ ১৬৬ নং ধাৰাৰ অন্তৰ্গত গোচৰত *ডেভিছ পদ্ধতি* [২] প্ৰযোজ্য।

৪২. সেয়েহে আমাৰ মতে ব্যৱহাৰ কৰিবলগীয়া গুণকটো ওপৰৰ তালিকাখনৰ স্তম্ভ (৪)-ত উল্লেখ কৰা ধৰণে হ'ব লাগে (*সুছামা থমাছ* [৩], *ত্ৰিলোক চন্দ্ৰ* [৪] আৰু *চাৰ্লি* [৫] প্ৰয়োগ কৰি প্ৰস্তুত কৰা), যিটো কাৰ্যকৰী গুণক ১৮-ৰে আৰম্ভ হয় (১৫-ৰ পৰা ২০ আৰু ২১-ৰ পৰা ২৫ বছৰ বয়সৰ গোটৰ বাবে), প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এটা একক হ্ৰাস কৰা হয়, অৰ্থাৎ ২৬-ৰ পৰা ৩০ বছৰৰ বাবে এম.(গুণক)-১৭, ৩১-ৰ পৰা ৩৫ বছৰৰ বাবে এম.-১৬, ৩৬-ৰ পৰা ৪০ বছৰৰ বাবে এম.-১৫, ৪১-ৰ পৰা ৪৫ বছৰৰ বাবে এম.-১৪, আৰু ৪৬-ৰ পৰা ৫০ বছৰৰ বাবে এম.-১৩, তাৰ পিছত প্ৰতি পাঁচ বছৰৰ বাবে দুটা একক হ্ৰাস কৰা হয়, অৰ্থাৎ এম.-১১ ৫১-ৰ পৰা ৫৫ বছৰৰ বাবে, এম.-৯ ৫৬-ৰ পৰা ৬০ বছৰৰ বাবে, এম.-৭ ৬১-ৰ পৰা ৬৫ বছৰ আৰু এম.-৫ ৬৬-ৰ পৰা ৭০ বছৰলৈ।

*প্ৰশ্ন (iv) — ক্ষতিপূৰণৰ গণনা*

৪৩. ওপৰত লক্ষ্য কৰা অনুসৰি এই গোচৰত মৃত্যুৰ সময়ত মৃতকৰ দৰমহা আছিল ৪০০৪ টকা। এই আদালতে উল্লেখ কৰা নীতিসমূহ সাক্ষ্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰি উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হয় যে অৱসৰৰ সময়ত দৰমহা অন্ততঃ দুগুণ (৮০০৮ টকা) হ'লহেঁতেন আৰু ফলস্বৰূপে, মাহিলী আয় ৪০০৪ টকা আৰু ৮০০৮ টকাৰ গড় হিচাপে নিৰ্ধাৰণ কৰিছিল যিটো প্ৰতিমাহে ৬০০৬ টকা বা বছৰি ৭২,০৭২ টকা হয়। আমি দেখিবলৈ পাওঁ যে ভৱিষ্যতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকৃত দৰমহাৰ লগত প্ৰায় ৫০% যোগ কৰিব পাৰি বুলি কোৱা সিদ্ধান্তটো আইনী নীতিৰ সৈতে সামঞ্জস্যপূৰ্ণ।

৪৪. আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই দাবী কৰিছিল যে যেতিয়া ভৱিষ্যতে আয় কি হ'ব তাৰ প্ৰকৃত পৰিসংখ্যা উপলব্ধ হয়, তেতিয়া আয় গণনাৰ বাবে কেৱল ৫০% নামমাত্ৰ কাল্পনিক বৃদ্ধি হিচাপে লোৱাটো সঠিক নহয়। তেওঁ উত্থাপন কৰে যে নিয়োগকৰ্তাই প্ৰদান কৰা প্ৰমাণপত্ৰ (উচ্চ ন্যায়ালয়ত দাখিল কৰা হৈছে) অনুসৰি যদিও মৃত্যুৰ সময়ত মৃত ব্যক্তিজনে প্ৰতিমাহে ৪০০৪ টকা লাভ কৰিছিল, তথাপিও দৰমহা সংশোধন আৰু বৃদ্ধিৰ ভিত্তিত ২০০5 চনত তেওঁৰ দৰমহা ৩২,৬৭৮ টকা হ'লহেঁতেন আৰু উক্ত ধনৰাশি অৱসৰৰ সময়ত আয় হিচাপে গণ্য নকৰাৰ কোনো কাৰণ নাই। ইয়াত যুক্তি দিয়া হৈছিল যে গণনাৰ ভিত্তি গঠন কৰিবলগীয়া আয় সেয়েহে ৪০০৪ আৰু ৮০০৮ টকাৰ গড় নহয়, বৰঞ্চ ৪০০৪ আৰু ৩২,৬৭৮ টকাৰহে গড় হ'ব লাগে।

৪৫. আয় গণনাৰ উদ্দেশ্যে ভৱিষ্যতে প্ৰকৃত দৰমহা সংশোধনৰ কথা লক্ষ্য ৰাখিব লাগে বুলি কৰা আপীলকাৰীসকলৰ ধাৰণাটো সঠিক নহয়। আপীলকাৰীসকলৰ মতে যদি মৃতকজন জীয়াই থাকিলেহেঁতেন তেন্তে তেওঁ সংশোধিত দৰমহাৰ নিৰিখৰ সুবিধা লাভ কৰিলেহেঁতেন। কিন্তু এই যুক্তিৰ বিপৰীতে সমানেই সম্ভৱ যে যদি তেওঁৰ দুৰ্ঘটনাত মৃত্যু নহ'লহেঁতেন তেন্তে তেওঁৰ হয়তো অসুস্থতাৰ বাবে বা অন্য দুৰ্ঘটনাৰ বাবে মৃত্যু হ'লহেঁতেন, বা তেওঁ হয়তো কৰ্মসংস্থাপন হেৰুৱালেহেঁতেন বা আন কোনো দুৰ্যোগ বা অসুবিধাৰ সন্মুখীন হ'লহেঁতেন। জীৱনত অকল্পনীয়/অনিৰ্ণেয় বস্তুবোৰ বহুত বেছি। আন এটা উল্লেখযোগ্য দিশ হ'ল দুৰ্ঘটনাৰ সময়ত এনে সাক্ষ্য/প্ৰমাণৰ অস্তিত্ব নাছিল।

৪৬. এই গোচৰত দুৰ্ঘটনা আৰু মৃত্যু হৈছিল ১৯৮৮ চনত। ১৯৯৩ চনত ন্যায়াধিকৰণে এই ক্ষতিপূৰণ নিৰ্ধাৰণ কৰিছিল । উচ্চ ন্যায়ালয়ে ২০০৭ চনত এই আবেদনৰ সন্দৰ্ভত সিদ্ধান্ত লৈছিল। প্ৰায় দুটা দশক ধৰি গোচৰৰ কাৰ্য্যবিধি আৰু আপীল চলি থকাটো এটা আকস্মিক পৰিস্থিতি আৰু ইয়াৰ ফলত আপীলকাৰীসকলে উক্ত দুটা দশকৰ ভিতৰত সংঘটিত হোৱা দৰমহাৰ দুয়োটা সংশোধিত নিৰিখৰ ওপৰত নিৰ্ভৰ কৰাৰ অধিকাৰ লাভ নকৰে। যদি ১৯৮৮ চনত দাখিল কৰা দাবী আবেদনখন ১৯৮৮-১৯৮৯ চনতেই নিষ্পত্তি কৰা হৈছিল আৰু যদিহে ১৯৮৯-১৯৯০ চনত উচ্চ ন্যায়ালয়ে আপীলৰ সিদ্ধান্ত ল'লেহেঁতেন, তেন্তে স্পষ্টভাৱে ক্ষতিপূৰণৰ সিদ্ধান্ত কেৱল মৃত্যুৰ সময়ত প্ৰযোজ্য দৰমহাৰ নিৰিখৰ পৰিপ্ৰেক্ষিতততহে লোৱা হ'লহেঁতেন, ভৱিষ্যতে হ'ব লগা দৰমহাৰ নিৰিখৰ কোনো সংশোধনীৰ পৰিপ্ৰেক্ষিতত নহয়।

৪৭. যদি দাবীদাৰসকলে আগবঢ়োৱা যুক্তি গ্ৰহণ কৰা হয়, তেন্তে ইয়াৰ ফলত তলত দিয়া পৰিস্থিতিৰ সৃষ্টি হ'ব: দাবীদাৰসকলে কেৱল দুৰ্ঘটনাৰ সময়ত বলবৎ থকা দৰমহাৰ নিৰিখৰ ওপৰতহে নিৰ্ভৰ কৰিব পাৰিব, যদিহে তেওঁলোকে গোচৰটো চলাবলৈ তৎপৰ হয়। কিন্তু যদি তেওঁলোকে গোচৰৰ কাৰ্য্যবিধিৰ ক্ষেত্ৰত পলম কৰে তেন্তে গোচৰটোৰ কাৰ্যবিধি চলি থকাৰ সময়ত কাৰ্যকৰী হ'ব পৰা সংশোধিত উচ্চ দৰমহাৰ নিৰিখৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিব। নিশ্চয়কৈ এই তৎপৰতাৰ বাবেই তেওঁলোকে এইদৰে শাস্তি ভোগ কৰিব — কথাষাৰ কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। সেয়েহে মৃত্যুৰ পিছৰ সময়ৰ পৰা চূড়ান্ত শুনানিৰ পূৰ্ব্বলৈকে — এই সময়ছোৱাত পাব লগা ক্ষতিপূৰণৰ পৰিমাণ নিৰ্ধাৰণৰ বাবে সংশোধিত দৰমহাৰ নিৰিখৰ দিশটো বিবেচনা কৰিব লাগে বুলি আগবঢ়োৱা যুক্তিটো আমি নাকচ কৰোঁ।

৪৮. ইয়াৰ পিছত আপীলকাৰীসকলে কয় যে মৃতকৰ পৰিয়ালটো তেওঁকে ধৰি ৮ জন সদস্যৰে গঠিত আৰু যিহেতু সমগ্ৰ পৰিয়ালটো তেওঁৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ বাবে কৰা কৰ্তন উচ্চ ন্যায়ালয়ে মূল্যায়ন কৰা অনুসৰি মান নিৰ্ধাৰিত এক-তৃতীয়াংশ বা এক-চতুৰ্থাংশ নহয়, বৰং এক-অষ্টমাংশহে হ'ব লাগে। ব্যক্তিগত জীৱন-যাপনৰ খৰচৰ হিচাপত কৰা কৰ্তন সকলো ক্ষেত্ৰতে নিৰ্দিষ্ট এক-তৃতীয়াংশ হ'ব নোৱাৰে (যদি গণনাটো এম.ভি. আইনৰ দ্বিতীয় অনুসূচীৰ সৈতে সংলগ্ন ধাৰা ১৬৩-এ-ৰ অধীনত নহয়) বুলি দিয়া যুক্তিৰ সৈতে আমি একমত। ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচৰ হিচাপত কৰ্তনৰ শতকৰা হাৰ পৰিয়ালৰ ওপৰত নিৰ্ভৰশীল সদস্যৰ সংখ্যাৰ লগত সংগতি ৰাখি নিশ্চয়কৈ ভিন্ন হ'ব পাৰে। কিন্তু আগতে লক্ষ্য কৰা মতে, মৃতকৰ ব্যক্তিগত জীৱন-যাপনৰ খৰচ নিৰ্ভৰশীল লোকৰ সংখ্যাৰ সৈতে সম্পূৰ্ণৰূপে অনুৰূপ হোৱাৰ প্ৰয়োজনীয়তা নাই।

৪৯. উপাৰ্জনকাৰী সদস্য হিচাপে মৃত ব্যক্তিজনে ভ্ৰমণ/পৰিবহণ আৰু অন্যান্য প্ৰয়োজনীয়তাৰ বাবে ব্যয় কৰাৰ বাহিৰেও পৰিয়ালৰ আন সদস্যসকলতকৈ নিজৰ বাবে অধিক খৰচ কৰিলেহেঁতেন। গতিকে আমাৰ মতে মৃতকৰ ব্যক্তিগত আৰু জীৱন-যাপনৰ খৰচ হিচাপে কৰা এক-পঞ্চমাংশ কৰ্তন ন্যায়সংগত হ'ব। এনে কৰ্তনৰ পিছত পৰিয়াললৈ (নিৰ্ভৰশীল) বৰঙণি বছৰি ৫৭,৬৫৮ টকা হিচাপে নিৰ্ধাৰণ কৰা হয়। মৃত্যুৰ সময়ত মৃতকৰ বয়স (৩৮ বছৰ) লক্ষ্য কৰি গুণক হ'ব ১৫। গতিকে নিৰ্ভৰশীলতাৰ মুঠ ক্ষতি হ'ব ৫৭,৬৫৮ টকা × ১৫ = ৮,৬৪,৮৭০ টকা।

**৫০.** ইয়াৰ উপৰিও, দাবীদাৰসকলে "ভূ-সম্পত্তিৰ ক্ষতি" শিতানত ৫০০০ টকা আৰু অন্ত্যেষ্টিক্ৰিয়াৰ খৰচৰ বাবে ৫০০০ টকাৰ ৰাশিৰ অধিকাৰী হ'ব। বিধৱাগৰাকীয়ে সাহচৰ্যৰ ক্ষতি হিচাপে ১০,০০০ টকাৰ অধিকাৰী হ'ব। এইদৰে মুঠ ক্ষতিপূৰণ হ'ব ৮,৮৪,৮৭০ টকা। উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰা ৭,১৯,৬২৪ টকা কৰ্তন কৰাৰ পিছত বৃদ্ধি হ'ব ১,৬৫,২৪৬ টকা।

**৫১.** আমি সেই অনুসৰি আবেদন আংশিকভাবে মঞ্জুৰ কৰোঁ। ইতিমধ্যে প্ৰদান কৰা ধনৰ উপৰিও আপীলকাৰীসকলে আবেদনৰ তাৰিখৰ পৰা বাস্তৱায়িত হোৱাৰ তাৰিখলৈকে বছৰি ৬% হাৰত সুতৰ সৈতে উক্ত ১,৬৫,২৪৬ টকা ধনৰাশিৰ অধিকাৰী হ'ব। আমাৰ দ্বাৰা নিৰ্ধাৰিত বৰ্ধিত ক্ষতিপূৰণ বিধৱা পত্নীয়ে প্ৰত্যক্ষভাবে গ্ৰহণ কৰিব। পক্ষসমূহে নিজ নিজ খৰচ বহন কৰিব।

———

* *২০০৭ চনৰ এছ.এল.পি. (চি.) নং ৮৬৪৮-ৰ পৰা উদ্ভৱ হোৱা। ১৯৯৩ চনৰ ২২০ নং এফ.এ.অ'.-ত নতুন দিল্লী স্থিত মাননীয় দিল্লী উচ্চ ন্যায়ালয়ৰ ১৫-২-২০০৭ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা*

*১. নেন্স বনাম ব্ৰিটিছ কলম্বিয়া ইলেক্ট্ৰিক ৰেলৱে কোম্পানী লিমিটেড, ১৯৫১ এ.চি. ৬০১ : (১৯৫১) ২ অল. ই.আৰ. ৪৪৮ (পি.চি.)*

*২. ডেভিছ বনাম পাৱেল ডাফ্রিন এছ'চিয়েটেড কলিয়ৰী লিমিটেড, ১৯৪২ এ.চি. ৬০১ :(১৯৪২) ১ অল. ই.আৰ. ৬৫৭ (এইচ.এল.)*

*৩. (১৯৯৪) ২ এছ.চি.চি. ১৭৬ : ১৯৯৪ এছ.চি.চি. (ক্রি.) ৩৩৫*

*৪. (১৯৯৬) ৪ এছ.চি.চি. ৩৬২*

*৫. (১৯৯৬) ৩ এছ.চি.চি. ১৭৯*

*৬. (২০০৩) ২ এছ.চি.চি. ১৪৮ : ২০০৩ এছ.চি.চি. (ক্রি.) ৭৪৬*

*৭. (২০০৪) ২ এছ.চি.চি. ৪৭৩ : ২০০৪ এছ.চি.চি. (ক্রি.) ৫৭৭*

*৮. (২০০৭) ৫ এছ.চি.চি. ৪২৮ : (২০০৭) ২ এছ.চি.চি. (ক্রি.) ৫২৭*

*৯. (২০০৫) ১০ এছ.চি.চি. ৭২০ : ২০০৫ এছ.চি.চি. (ক্রি.) ১৬৫৭*

*১০. (২০০৫) ৬ এছ.চি.চি. ২৩৬ : ২০০৫ এছ.চি.চি. (ক্রি.) ১৪৩৬*

*১১. (২০০৬) ৬ এছ.চি.চি. ২৪৯ : (২০০৬) ৩ এছ.চি.চি. (ক্রি.) ৯০*

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কণিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

পৰীক্ষক: মৃণাল কুমাৰ ভট্টাচাৰ্য্য, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়।

---

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment

shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।”